বন্ধুৰ হত্যাকাৰীক যাৱজ্জীৱন কাৰাদণ্ড
ই-সংবাদ, শিৱসাগৰ, ৩ ডিচেম্বৰঃ শিৱসাগৰৰ বেতবাৰীৰ এগৰাকী ব্যক্তিক আজি ৩ পৃষ্ঠাত চাওক


www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, DECEMBER 4, 2024 ■ বুধবাৰ, ১৮ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩৩১ Guwahati, Assam ।। মূল্যঃ এটকা

দুটাকৈ দৰ্শনী বিচাৰি ডিষ্ট্ৰিবিউটৰলৈ পত্ৰ প্ৰেৰণ

# ‘সবৰমতী এক্সপ্ৰেছ’ৰ হৈ প্ৰচাৰত ব্যস্ত অসমৰ মন্ত্ৰী


The Distributor (North East Region)
The Sabarmati Report

Greetings!

It has been observed that the movie, 'The Sabarmati Report' has been widely discussed and appreciated among the people of Assam and they have expressed immense enthusiasm in watching the same in cinema halls throughout the State. In various platforms people have requested for screening of the movie in movie theatres of Assam. On behalf of all the movie enthusiasts of the State, I would like to request you to take necessary steps to release and screen the movie in all the cinema halls of Assam from next Friday, i.e., 6th December, 2024 for a week at 2 to 5 pm slot.

(Pijush Hazarika)
Minister, Information & Public Relations etc. Departments
Dispur, Guwahati, Assam

**ই-সংবাদ, ৩ ডিচেম্বৰঃ** অসমত নিৰ্মিত অসমীয়া চলচ্চিত্ৰৰ প্ৰচাৰ-প্ৰসাৰৰ হকে কোনো দিনে তৎপৰ নোহোৱা অসম চৰকাৰৰ মন্ত্ৰীয়ে গুজৰাট হিংসাৰ পৃষ্ঠভূমিক লৈ নিৰ্মিত ‘সবৰমতী এক্সপ্ৰেছ’ নামৰ চলচ্চিত্ৰখনৰ বাবে শেষাংশ ৩ পৃষ্ঠাত

বাংলাদেশক লৈ ভুল বৈদেশিক নীতি! হিন্দুৰ ওপৰত চলা নিৰ্যাতন ৰোধত ব্যৰ্থ নতুন দিল্লী

# মহানগৰীত প্ৰদেশ কংগ্ৰেছৰ তীব্ৰ প্ৰতিবাদ

**ই-সংবাদ, ৩ ডিচেম্বৰঃ** বাংলাদেশত হিন্দুৰ ওপৰত সম্প্ৰতি শেষাংশ ২ পৃষ্ঠাত



আদানি কাণ্ডক লৈ বিৰোধীৰ প্ৰতিবাদ, মঙলবাৰে

চুবুৰীয়া চীনেৰে সম্পৰ্কৰ উন্নতি প্ৰসংগত সংসদত বিশেষ বক্তব্য বিদেশমন্ত্ৰীৰ

# আদানিৰ কেলেংকাৰিক লৈ উত্তপ্ত লোকসভা-ৰাজ্যসভা



**নতুন দিল্লী, ৩ ডিচেম্বৰঃ** চলি থকা সংসদৰ শীতকালীন অধিৱেশনৰ ষষ্ঠ দিনটোতো উত্তেজনাপূৰ্ণ হৈ পৰিল সদনৰ পৰিৱেশ। সংসদৰ ভিতৰত আৰু বাহিৰত বিভিন্ন বিষয়ৰ ওপৰত আলোচনাৰ দাবী আৰু প্ৰতিবাদেৰে পৰিৱেশ উত্তাল হৈ পৰে। এফালে সমাজবাদী পাৰ্টিৰ সদস্যসকলে সম্ভল হিংসাক শেষাংশ ২ পৃষ্ঠাত

## বছৰি ‘অইল’ৰ পৰা ২০ লাখকৈ দাবী এনএছচিএনৰ

**ই-সংবাদ, দুলীয়াজান, ৩ ডিচেম্বৰঃ** মহাৰত্ন অইল ইণ্ডিয়াৰ ওপৰত শেন চকু সন্ত্ৰাসবাদী সংগঠন এনএচচিএনৰ। এইবাৰ নগা বিদ্ৰোহী সংগঠনটোৱে ২০ লাখ শেষাংশ ৪ পৃষ্ঠাত

## বাংলাদেশত ভাৰতীয় নিউজ চেনেল নিষিদ্ধ কৰিবলৈ প্ৰস্তুতি

**ঢাকা, ৩ ডিচেম্বৰঃ** ভাৰতীয় টিভি চেনেলক লৈ এইবাৰ বাংলাদেশত উঠিছে প্ৰতিবাদৰ জোৱাৰ। শেষাংশ ৩ পৃষ্ঠাত

প্ৰধানমন্ত্ৰী দেশৰ সেৱক হ’ব লাগে, আদানিৰ নহয়


## উদাত্ত ভাষণেৰে পুনৰ সংসদ কঁপালে গৌৰৱ গগৈয়ে



**নতুন দিল্লী, ৩ ডিচেম্বৰঃ** ২৫ নৱেম্বৰৰ পৰা আৰম্ভ হোৱা সংসদৰ শীতকালীন অধিৱেশন হৈ-হাল্লা, চিঞৰ-বাখৰৰ মাজেৰে পাৰ হয়। ৭টা দিনেই সদন চলিবলৈ দিয়া নাছিল বিৰোধীয়ে। কিন্তু বিগত সাত দিনৰ শেষাংশ ৪ পৃষ্ঠাত

নিলম্বিত কেবাগৰাকী আৰক্ষী বিষয়া

## আগৰতলা কাণ্ডৰে জড়িত ৭জনক গ্ৰেপ্তাৰ




**আগৰতলা, ৩ ডিচেম্বৰঃ** বাংলাদেশত সংখ্যালঘুৰ ওপৰত সংঘটিত অত্যাচাৰক লৈ ভাৰতত সৃষ্টি শেষাংশ ৪ পৃষ্ঠাত

## তাজমহল বোমাৰে উৰুৱাই দিয়াৰ ভাবুকি

**নতুন দিল্লী, ৩ ডিচেম্বৰঃ** বিশ্বৰ সপ্তম আশ্বৰ্য্যৰ অন্যতম অনন্য প্ৰেমৰ প্ৰতীক তাজমহলত সৃষ্টি হয় এক শেষাংশ ৩ পৃষ্ঠাত

## নৃশংস! ডুমডুমাত কুকুৰ, বকোত হাতীৰ কাঢ়িলে প্ৰাণ

**ই-সংবাদ, ডুমডুমা-বকো, ৩ ডিচেম্বৰঃ** জীৱ শ্ৰেষ্ঠ মানৱৰ হাতত মুঠেই সুৰক্ষিত নহয় পশু-পক্ষী। দিনদিয়েক পূৰ্বে চামগুৰিত এটি কুকুৰক বিহ খুৱাই হত্যা কৰা ঘটনাৰ চাঞ্চল্য মাৰ নৌযাওতেই এইবাৰ তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাত সংঘটিত হৈছে আন এক নৃশংস ঘটনা। ডুমডুমাৰ ৰূপাই চাইডিঙৰ ৩৭ নং ৰাষ্ট্ৰীয়



ঘাইপথৰ কাষ (পঞ্জাৱ নেছনেল বেংকৰ সন্মুখৰ) ৰ এখন মাংসৰ দোকানত সংঘটিত হৈছে নৃশংসতাৰ চৰম সীমা চেৰাই যোৱা এক শেষাংশ ৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আদানিৰ কেলেংকাৰিক লৈ উত্তপ্ত

লৈ গুৰুতৰ প্ৰশ্ন উত্থাপন কৰাৰ বিপৰীতে বিৰোধী দলসমূহে আদানি গ্ৰুপৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগেৰে কাঠগড়াত ঠিয় কৰোৱায় শাসকীয় পক্ষক। সমাজবাদী পাৰ্টিৰ নেতা অখিলেশ যাদৱে সম্ভল হিংসাৰ সন্দৰ্ভত মন্তব্য কৰি কয় যে এয়া পূৰ্ব পৰিকল্পিত ষড়যন্ত্ৰৰ পৰিণাম। উত্তৰ প্ৰদেশৰ নিৰ্বাচনৰ সময়ত এই ঘটনা সংঘটিত হোৱাৰ বাবে সংশ্লিষ্ট বিষয়াসকলৰ বিৰুদ্ধে এফআইআৰ দাখিল কৰিব লাগে বুলিও তেওঁ কয়। এই প্ৰসংগত সমাজবাদীৰ সাংসদ ৰামগোপাল যাদৱে লগতে কয়, "সম্ভলত যি হ'ল, সমগ্ৰ দেশত অশান্তি বিয়পোৱাৰ ষড়যন্ত্ৰ নহয়নে? একেদৰে বদায়ুন, জৌনপুৰ আৰু আজমেৰ শ্বৰীফতো অনুৰূপ ঘটনা সংঘটিত হোৱাৰ আশংকা আছে।" তেওঁ আৰু অভিযোগ কৰে যে ২৪ নৱেম্বৰৰ পুৱা ৬ বজাত সম্ভলৰ সকলো ঠাইতে আৰক্ষী মোতায়েন কৰা হৈছিল। স্থানীয় বাসিন্দাসকলে বুজিব পৰা নাছিল যে কিয় ইমানবোৰ আৰক্ষী মোতায়েন কৰা হ'ল। কিছু সময়ৰ পাছত ডি এম, এছ এছ পি, অধিবক্তাকে ধৰি একাংশ লোকে আৰক্ষী বাহিনীৰ সৈতে মছজিদত প্ৰৱেশ কৰে। স্থানীয় ৰাইজে সন্দেহ কৰিছিল যে তেওঁলোকে হয়তো মছজিদ ভাঙিছে। আনহাতে, আদানি আৰু সম্ভল বিষয়ক লৈ সংসদৰ বাহিৰতো চৰকাৰ বিৰোধী প্ৰতিবাদ সাব্যস্ত কৰে বিৰোধী ইণ্ডিয়া মিত্ৰজোঁটে। বিৰোধীয়ে এই সন্দৰ্ভত যুটীয়া সংসদীয় সমিতিৰ তদন্তৰ দাবী জনায়। অৱশ্যে তৃণমূল কংগ্ৰেছ আৰু সমাজবাদী পাৰ্টিয়ে এই প্ৰতিবাদত অংশ লোৱাৰ পৰা বিৰত থকা পৰিলক্ষিত হয়। উল্লেখ্য যে, বিদেশী বিনিয়োগকাৰীক প্ৰতাৰণা কৰাৰ লগতে ভাৰতীয় কৰ্তৃপক্ষক উৎকোচ দি সৌৰশক্তিৰ প্ৰকল্প লাভ কৰাৰ অভিযোগ উত্থাপন হৈছে আদানি গ্ৰুপৰ বিৰুদ্ধে। অভিযোগনামাত কোৱা হৈছে যে ২০২০ চনৰ পৰা ২০২৪ চনৰ ভিতৰত আদানি গ্ৰীণ আৰু এজুৰ পাৱাৰ গ্ল'বেল কোম্পানীয়ে ভাৰতীয় বিষয়াসকলক প্ৰায় ২,২৩৬ কোটি টকা উৎকোচ দি সৌৰ প্ৰকল্প লাভ কৰিছিল। এই বিষয়ত সংসদত তীব্ৰ আলোচনা আৰু বিতৰ্ক অব্যাহত আছে। এনেদৰেই এইবাৰ বিৰোধীৰ তীব্ৰ হেঁচাৰ সন্মুখীন হৈছে চৰকাৰ। ইফালে, চাৰি বছৰীয়া উত্তেজনা, বাৰে বাৰে সীমান্ত সংঘাতৰ আশংকা আৰু আৰু দুয়োখন মহাশক্তিধৰ দেশৰ সম্পৰ্কৰ এক অশান্ত অধ্যায়ৰ অন্তত পূব লাডাখত সীমান্ত সমস্যা সমাধানক লৈ এক বৃহৎ পদক্ষেপ গ্ৰহণ কৰিছে ভাৰত আৰু চীনে। দুবছৰীয়া আলোচনাৰ অন্তত অৱশেষত দুয়োখন দেশৰ মাজত এক চুক্তিত উপনীত হয়, যাৰ ফলত বিবাদিত অঞ্চলৰ পৰা সেনা প্ৰত্যাহাৰ কৰে দেশ দুখনে। মঙলবাৰে সংসদত এই গুৰুত্বপূৰ্ণ বিষয়টোৰ ওপৰত মত প্ৰকাশ কৰে ভাৰতৰ বৈদেশিক মন্ত্ৰী এছ জয়শংকৰে। বৈদেশিক মন্ত্ৰীগৰাকীয়ে কয় যে ২০২০ চনৰ গালৱান সংঘাতৰ পিছৰে পৰা ভাৰত আৰু চীনৰ সম্পৰ্ক এতিয়া স্বাভাৱিক নহয়। সীমান্তত শান্তি বিঘ্নিত হোৱাৰ ফলত দুয়োখন দেশৰ সম্পৰ্কত গভীৰ প্ৰভাৱ পৰিছে। শেহতীয়া আলোচনাত কিছু অগ্ৰগতি হোৱাটো সঁচা, কিন্তু সীমান্তত স্থায়ী শান্তি ঘূৰি নাহিলে সম্পৰ্ক সম্পূৰ্ণ স্বাভাৱিক হোৱাৰ কোনো সম্ভাৱনা নাই। দুয়োখন দেশৰ বাবে গ্ৰহণযোগ্য সমাধানত উপনীত হ'বলৈ আমি কূটনৈতিক আৰু সামৰিক পৰ্যায়ত আলোচনা অব্যাহত ৰাখিছো। জয়শংকৰে লগতে কয় যে সীমান্তত শান্তি বজাই ৰাখিবলৈ ভাৰত আৰু চীনে তিনিটা কথাত গুৰুত্ব দিছে- প্ৰথমতে দুয়োখন দেশে প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা (LAC)ক সন্মান কৰিব লাগিব। দ্বিতীয়তে, যথাৰ্থ অৱস্থা সলনি কৰাৰ কোনো একপক্ষীয় প্ৰচেষ্টা কৰিব নোৱাৰি। তৃতীয়তে, পূৰ্বৰ চুক্তিসমূহ সঠিকভাৱে মানি চলিব লাগিব। উল্লেখ্য যে, অক্টোবৰ মাহত দুয়োখন দেশৰ মাজত হোৱা চুক্তিত সীমান্তৰ পৰা সেনা প্ৰত্যাহাৰ সম্পূৰ্ণ হয়। ডেপছাং আৰু ডেমচোকৰ দৰে বিতৰ্কিত অঞ্চলত দুয়োখন দেশৰ সেনাই ২০২০ চনৰ এপ্ৰিলৰ পূৰ্বৰ স্থানলৈ ঘূৰি আহিছে। জয়শংকৰে কয় যে সীমান্তত শান্তি আৰু স্থিতিশীলতা অবিহনে ভাৰত-চীনৰ সম্পৰ্ক উন্নত কৰাৰ কোনো সম্ভাৱনা নাই। অনাগত দিনত সীমান্তৰ পৰিস্থিতি নিয়ন্ত্ৰণত ৰখাৰ উপৰিও দুয়োখন দেশৰ মাজত উত্তেজনা দূৰ কৰাৰ বাবে অধিক আলোচনা অনুষ্ঠিত হ'ব। বৈদেশিক মন্ত্ৰীগৰাকীয়ে কয়, "২০২০ চনৰ গালৱান সংঘৰ্ষৰ দৰে পৰিস্থিতি যাতে পুনৰ নঘটে তাৰ বাবে আমি সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছো। সেই সময়ত ২০ জন ভাৰতীয় জোৱান শ্বহীদ হৈছিল। অৱশ্যে ভাৰতৰ বীৰ জোৱানৰ সাহস আৰু পৰাক্ৰমৰ বাবে চীনৰ জোৱানৰ যথেষ্ট ক্ষতি হৈছিল।" লগতে তেওঁ কয় যে ১৯৮৮ চনৰ পৰা সীমান্ত সমস্যা সমাধানৰ বাবে কেইবাখনো চুক্তি হৈছে যদিও ২০২০ চনৰ পৰিঘটনাই সেই প্ৰচেষ্টাসমূহত ডাঙৰ প্ৰভাৱ পেলাইছে। জয়শংকৰে লগতে উল্লেখ কৰে যে ১৯৬২ চনৰ যুদ্ধৰ সময়ত চীনে ৩৮ হাজাৰ বৰ্গ কিলোমিটাৰ ভাৰতৰ ভূখণ্ড দখল কৰিছিল। লগতে ১৯৬৩ চনত পাকিস্তানে ৫,১৮০ বৰ্গ কিলোমিটাৰ ভাৰতীয় ভূমি চীনক অৰ্পণ কৰিছিল। ২০২০ চনত পূব লাডাখত সীমান্তত চীনা সৈন্য নিয়োগ কৰা আৰু বাৰে বাৰে অনুপ্ৰৱেশৰ চেষ্টাৰ ফলত দুয়োখন দেশৰ মাজত সংঘাতৰ পৰিস্থিতিৰ সৃষ্টি হয়। কিন্তু ভাৰতে নিজৰ স্থিতিত থিয় দিছে আৰু কূটনৈতিক আৰু সামৰিকভাৱে প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। দীঘলীয়া আলোচনা আৰু ২১ অক্টোবৰত চুক্তিৰ অন্তত ডেপছাং আৰু ডেমচোকৰ পৰা সৈন্য প্ৰত্যাহাৰ সম্পূৰ্ণ হয়। সীমান্ত অঞ্চলত সেনাৰ উপস্থিতি হ্ৰাস কৰাৰ লগতে দুয়োখন দেশৰ মাজত নিয়মীয়াকৈ কমাণ্ডাৰ পৰ্যায়ৰ বৈঠক অব্যাহত থাকিব। জয়শংকৰে কয় যে এই চুক্তিৰ মূল উদ্দেশ্য হৈছে সীমান্তত স্থায়ী শান্তি স্থাপন আৰু লাডাখৰ গালৱানৰ দৰে সংঘৰ্ষৰ পুনৰাবৃত্তি ৰোধ কৰা। এতিয়া চুক্তিৰ পিছত চীনেৰে সম্পৰ্ক কিদৰে আগবাঢ়ে সেয়া লক্ষণীয় হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মহানগৰীত প্ৰদেশ কংগ্ৰেছৰ তীব্ৰ

চলি অহা নিৰ্যাতনক লৈ তীব্ৰ প্ৰতিক্ৰিয়া অব্যাহত আছে। দেশৰ মুখ্য বিৰোধী দল কংগ্ৰেছে ইতিমধ্যে পত্ৰযোগে বিষয়টোত হস্তক্ষেপ কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন ভাৰত চৰকাৰক দাবী জনাইছে। কিন্তু ভাৰত চৰকাৰে বিষয়টোক গুৰুত্ব প্ৰদান নকৰাত ক্ষোভিত হৈছে কংগ্ৰেছ। কেন্দ্ৰীয় চৰকাৰৰ ভুল বৈদেশিক নীতিৰ বাবেই বহিঃৰাষ্ট্ৰসমূহত থকা ভাৰতীয় মূলৰ লগতে হিন্দু সম্প্ৰদায়ৰ লোক আজি নিৰাপত্তাহীনতাত ভুগিছে। বিজেপি চৰকাৰৰ ভুল বৈদেশিক নীতিক সমালোচনা কৰি আজি কামৰূপ মহানগৰ জিলা আয়ুক্তৰ কাৰ্যালয় ঘেৰাও কৰে অসম প্ৰদেশ কংগ্ৰেছে। শ শ কংগ্ৰেছ নেতা-কৰ্মীয়ে আজি দিনৰ ১১ বজাত হেঙেৰাবাৰীত থকা কামৰূপ মহানগৰ আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত উপস্থিত হৈ বিদেশ মন্ত্ৰী এছ জয়শংকৰৰ পুত্তলিকা দাহ কৰে আৰু বিজেপি চৰকাৰ হায় হায় ধ্বনিৰে আকাশ-বতাহ কঁপাই তোলে। কংগ্ৰেছ নেতা-কৰ্মীসকলে বাংলাদেশত হিন্দু ভাই-ভনীক নিৰাপত্তা দিয়ক, বাংলাদেশত সংখ্যালঘুৰ ওপৰত উৎপীড়ন নচলিব, চুবুৰীয়া ৰাষ্ট্ৰৰ হিন্দুসকলক সুৰক্ষিত কৰক আদি ধ্বনি দি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ দিশে আগুৱাই যদিও আৰক্ষীয়ে বাধা প্ৰদান কৰে। কংগ্ৰেছ নেত্ৰী মীৰা বৰঠাকুৰ, বিপুল গগৈ, ৰামান্না বৰুৱা, ৰাজেশ যোশী, গোপাল শৰ্মা, বালিকা পেগু, ৰূপা দেউৰী, বেদব্ৰত বৰা প্ৰমুখ্যে নেতাসকলৰ নেতৃত্বত যোৱা কংগ্ৰেছ কৰ্মীসকলে বহু সময় ধৰি বিজেপিৰ সাম্প্ৰদায়িক ৰাজনীতিৰ বিৰুদ্ধে ধ্বনি দিয়ে। এপিচিচিৰ উপ-সভাপতি গুণকান্ত গগৈ, সাধাৰণ সম্পাদক উদয়ভানু দাস, উমেশ ডেকা, সেৱা দলৰ সভাপতি দীপ বায়ন প্ৰমুখ্যে লোকসকলেও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। কংগ্ৰেছৰ প্ৰতিবাদী দলটোৱে শীঘ্ৰে চৰকাৰক ব্যৱস্থা গ্ৰহণৰো দাবী তোলে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাংলাদেশত ভাৰতীয় নিউজ চেনেল

ভাৰতীয় চেনেলসমূহৰ বিৰুদ্ধে দেশৰ সাংস্কৃতিক ঐতিহ্য আৰু যুৱক-যুৱতীৰ ওপৰত ক্ষতিকাৰক প্ৰভাৱ পেলোৱাৰ অভিযোগ উত্থাপন কৰি ভাৰতীয় টিভি চেনেলসমূহ নিষিদ্ধ কৰাৰ দাবীৰে উচ্চ ন্যায়ালয়ত এখন ৰিট আবেদন দাখিল কৰা হৈছে। সোমবাৰে উচ্চতম ন্যায়ালয়ৰ অধিবক্তা ছৈয়দ শ্বাহিন আৰা লাইলিয়ে এই আবেদন দাখিল কৰে। বাতৰি অনুসৰি, চলিত সপ্তাহতে এই আবেদনৰ শুনানি গ্ৰহণ কৰিব উচ্চ ন্যায়ালয়ে। ৰিট আবেদনখনত কেবল টেলিভিছন নেটৱৰ্ক মেনেজমেণ্ট এক্ট, ২০০৬ৰ ১৯ নং ধাৰাত ভাৰতীয় সকলো টিভি চেনেলৰ সম্প্ৰচাৰ বন্ধ কৰাৰ নিৰ্দেশ বিচাৰিছে আবেদনকাৰীয়ে। তদুপৰি এনে নিৰ্দেশ কিয় দিব নালাগে সেই সন্দৰ্ভত আদালতক নিয়ম জাৰি কৰিবলৈও অনুৰোধ জনোৱা হৈছে। অধিবক্তা একলাচ উদ্দিন ভূঞাই কয় যে ষ্টাৰ জালছা, ষ্টাৰ প্লাছ, জি বাংলা, ৰিপাব্লিক বাংলাকে ধৰি বিভিন্ন ভাৰতীয় চেনেলৰ বিৰুদ্ধে অভিযোগ উত্থাপন হৈছে। বাংলাদেশৰ উচটনিমূলক বাতৰি আৰু সাংস্কৃতিক বিৰোধী অনুষ্ঠান সম্প্ৰচাৰৰ বাবে এই চেনেলসমূহে দেশৰ যুৱক-যুৱতীসকলৰ ক্ষতি কৰিছে বুলি তেওঁ দাবী কৰে। প্ৰসংগক্ৰমে ২০১৭ চনতো এনে এখন ৰিট আবেদন দাখিল কৰা হৈছিল, যিটো আদালতে খাৰিজ কৰিছিল। কিন্তু শেহতীয়াকৈ বাংলাদেশৰ চৰকাৰৰ পৰিৱৰ্তন আৰু সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এইবাৰ আবেদনত পৰিস্থিতি পৃথক হোৱাৰ সম্ভাৱনা ব্যক্ত কৰিছে অনেকে। আনহাতে, ধৰ্মগুৰু চিন্ময়কৃষ্ণ দাসৰ জামিন গোচৰৰ শুনানি পুনৰ এমাহলৈ পিছুৱাই দিয়ে আদালতে। অধিবক্তাৰ অনুপস্থিতিৰ বাবে ২ জানুৱাৰীত নতুন তাৰিখ নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ ফলত চিন্ময়কৃষ্ণ দাসৰ সমৰ্থকসকলৰ মাজত ক্ষোভৰ সৃষ্টি হৈছে। চিন্ময়ৰ মুক্তিৰ পলম কৰাটো মানৱ অধিকাৰ খৰ্ব কৰা বুলি দাবী কৰে সমৰ্থকসকলে। লক্ষণীয় যে, হিন্দু সংখ্যালঘু সম্প্ৰদায়ৰ ধৰ্মগুৰু চিন্ময়কৃষ্ণ দাসৰ অধিবক্তাক আক্ৰমণৰ ঘটনাৰ পিছতে অধিক উত্তপ্ত হৈ পৰে বাংলাদেশৰ পৰিস্থিতি। বৰ্তমান আই চি ইউত ভৰ্তি হৈ আছে অধিবক্তাগৰাকী। একে সময়তে তেওঁৰ ঘৰ ভাঙি লণ্ডভণ্ড কৰাৰ অভিযোগ উত্থাপন হৈছে। চিন্ময়ৰ হৈ থিয় দিয়াসকলকো বিভিন্ন ধৰণে হাৰাশাস্তি কৰাৰ অভিযোগ উত্থাপন হৈছে। এনে পৰিপ্ৰেক্ষিতত এতিয়া এই বিষয়ত আলোচনা চলিছে আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰতো। ব্ৰিটিছ সংসদৰ সংসদ সদস্য প্ৰীতি পেটেলে কয় যে ধৰ্মীয় বিশ্বাসৰ প্ৰতি সহনশীলতা আৰু শান্তি-শৃংখলা নিশ্চিত কৰাটো অতি গুৰুত্বপূৰ্ণ। ধৰ্মগুৰুজনৰ মুক্তি নিশ্চিত কৰাৰ লগতে এই প্ৰক্ৰিয়াত যিকোনো অনিয়মৰ তদন্ত কৰিবলৈ তেওঁ দাবী জনায়। এনেদৰে এতিয়া বাংলাদেশক লৈ উদ্বিগ্ন হৈ পৰিছে সমগ্ৰ বিশ্ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তাজমহল বোমাৰে উৰুৱাই দিয়াৰ ভাবুকি

আতংকময় পৰিস্থিতিৰ। বোমাৰে তাজমহল উৰুৱাই দিয়াৰ ভাবুকি লাভ কৰাৰ পিছতে মঙলবাৰে সৃষ্টি হয় এই আতংকৰ। ই-মেইলযোগে ৰাজ্যৰ পৰ্যটন বিভাগলৈ এই ভাবুকিৰ খবৰ পোৱাৰ লগে লগে পৰিস্থিতি উত্তেজিত হৈ পৰে। ইয়াৰ পিছতে তাজমহলৰ নিৰাপত্তা সুদৃঢ় কৰাৰ লগতে তাজমহল চৌহদৰ পৰা পৰ্যটকসকলক আঁতৰাই আৰম্ভ কৰা হয় তালাচী অভিযান। তাজমহলৰ নিৰাপত্তাৰ দায়িত্বত থকা এচিপি চৈয়দ আৰিব আহমেদে কয় যে পৰ্যটন বিভাগে ই-মেইলৰ জৰিয়তে ভাবুকি লাভ কৰিছিল, যাৰ ভিত্তিত তাজগঞ্জ থানাত এজাহাৰ দাখিল কৰা হৈছিল। পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ বোমা স্কোয়াড, অগ্নিনিৰ্বাপক বাহিনী আৰু ডগ স্কোয়াড তাজমহলত উপস্থিত হয়। পৰ্যটকক নিৰাপদ স্থানলৈ নিয়াৰ লগতে সন্দেহজনক যিকোনো বস্তু বিচাৰি উলিওৱাৰ প্ৰচেষ্টা চলোৱা হয়। কিন্তু ই-মেইলৰ ভাবুকি অনুসৰি তাজমহলত কোনো সন্দেহজনক সামগ্ৰী পোৱা নগ'ল বুলি নিশ্চিত কৰিছে এচিপিয়ে। এনে পৰিপ্ৰেক্ষিতত এয়া এক ভুৱা ভাবুকি বুলি ধাৰণা কৰা হৈছে। ই-মেইলটো ক'ৰ পৰা প্ৰেৰণ কৰা হৈছে তাৰ তদন্ত চলি আছে। ৰাজ্যৰ পৰ্যটন বিভাগৰ উপ-সঞ্চালক দিপ্তী বৎসই কয় যে আগ্ৰা আৰক্ষীয়ে এই ভাবুকিৰ তথ্য লাভ কৰাৰ পিছতে ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণ কৰে। প্ৰসংগক্ৰমে যোৱা কেইমাহমানৰ পৰা দেশৰ বিভিন্ন প্ৰান্তৰ বিদ্যালয়, মহাবিদ্যালয়, হোটেল আনকি বিমান সংস্থাতো এনে ভুৱা ভাবুকিৰ ঘটনা বাৰে বাৰে সংঘটিত হৈ আহিছে। এতিয়া সেই তালিকাত যোগ হৈছে ঐতিহাসিক তাজমহল। অন্যহাতে এই ভাবুকিক লৈ চিন্তিত হৈ পৰিছে প্ৰশাসন।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'সবৰমতী এক্সপ্ৰেছ'ৰ হৈ প্ৰচাৰত ব্যস্ত

তৎপৰ হোৱা দেখা গৈছে। উত্তৰ পূৰ্বাঞ্চলৰ ছবি ডিষ্ট্ৰিবিউটৰক পত্ৰখন প্ৰদান কৰি এসপ্তাহ দুটা শ্ব'তে 'সাবৰমতী এক্সপ্ৰেছ' ছবি প্ৰদৰ্শনৰ ব্যৱস্থা কৰিবলৈ কয় অসমৰ মন্ত্ৰীয়ে। অসমৰ জনসংযোগ মন্ত্ৰী পীযুষ হাজৰিকাই পূৰ্বাঞ্চলৰ ছবি ডিষ্ট্ৰিবিউটৰক এখন পত্ৰ লিখিছে। ২টা বজাৰ শ্ব' আৰু ৫টা বজাৰ শ্ব'ত প্ৰদৰ্শনৰ ব্যৱস্থা কৰিবলৈ ডিষ্ট্ৰিবিউটৰক চিঠিযোগে একপ্ৰকাৰ নিৰ্দেশ দিয়া মন্ত্ৰী হাজৰিকাই। মন্ত্ৰী পীযুষ হাজৰিকাই কয় যে সাবৰমতী এক্সপ্ৰেছ নামৰ চলচ্চিত্ৰখন অসমৰ জনসাধাৰণৰ মাজত ব্যাপকভাৱে চৰ্চিত আৰু প্ৰশংসিত হৈছে। সমগ্ৰ ৰাজ্যৰ চিনেমা হ'ল সমূহৰ দৰ্শকে যথেষ্ট উৎসাহ প্ৰকাশ কৰিছে। অসমৰ চিনেমা হ'লত চিনেমাখন প্ৰদৰ্শন কৰিবলৈ অনুৰোধ জনাইছে। ৰাজ্যখনৰ সকলো চলচ্চিত্ৰ উৎসাহী লোকৰ হৈ মই আপোনাক অনুৰোধ জনাইছো যে অহা শুকুৰবাৰ অৰ্থাৎ ৬ ডিচেম্বৰৰ পৰা দুপৰীয়া ২ৰ পৰা ৫ বজাত এসপ্তাহৰ বাবে অসমৰ সকলো চিনেমা হ'লত চিনেমাখন মুক্তি আৰু প্ৰদৰ্শন কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ল'ব। গুজৰাটৰ গোধৰা হিংসাৰ পৃষ্ঠভূমিত নিৰ্মিত 'সাবৰমতী এক্সপ্ৰেছ' নামৰ চলচ্চিত্ৰখন বিজেপিৰ নেতা-মন্ত্ৰীৰ পৰা আৰম্ভ কৰি প্ৰধানমন্ত্ৰীলৈকে চোৱা পৰিলক্ষিত হৈছে। তেনে সময়তে অসম মন্ত্ৰীয়ে বিজেপিৰ এজেণ্ডাৰ সৈতে মিল থকা ছবিখন এসপ্তাহ চলাবলৈ ডিষ্ট্ৰিবিউটৰক চিঠি দিছে। কিন্তু কোনো মন্ত্ৰীয়ে আজিলৈ অসমীয়া চিনেমা এখনৰ বাবে এনেদৰে চিঠি লিখাৰ নজিৰ নাই বুলিও ছ'চিয়েল মিডিয়াত চৰ্চা চলা দেখা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বন্ধুৰ হত্যাকাৰীক যাৱজ্জীৱন কাৰাদণ্ড

অতিৰিক্ত জিলা সত্ৰ ন্যায়াধীশে যাৱাজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে। হত্যাৰ অপৰাধত বিশ্বজিৎ সিনহা নামৰ হত্যাকাৰীজনক যাৱজ্জীৱন কাৰাদণ্ড দিয়ে। উল্লেখ্য যে এক দশক পূৰ্বে বেতবাৰীৰ প্ৰদীপ সিনহাৰ পুত্ৰ বিশ্বজিৎ সিনহাই আৰু এগৰাকী যুৱকৰ সৈতে লগ লাগি নিজৰেই এগৰাকী বন্ধু আকাশ চেতিয়াক নৃসংশভাৱে হত্যা কৰিছিল। হত্যাৰ বলি হোৱা আকাশ চেতিয়াৰ ঘৰ আছিল শিৱসাগৰ জিলাৰ পালেঙীত। অৱশ্য এই হত্যাকাণ্ডৰে জড়িত তপন বৰা নামৰ আন এজন বৰ্তমানেও পলাতক। লক্ষণীয় যে বিশ্বজিৎ সিনহা আৰু এজন যুৱক লগ লাগি বেতবাৰী আলিমূৰৰ সমীপত হত্যা কৰিছিল তেওঁলোকৰে বন্ধুজনক। হত্যা কৰি এখন ইণ্ডিকা গাড়ী লৈ উধাও হৈছিল যদিও পিছত আৰক্ষীয়ে গাড়ীখন উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। এক দশকৰ পিছত হ'লেও বন্ধু হত্যাৰ দৰে ভয়ংকৰ অপৰাধত জড়িত থকা দোষীয়ে শাস্তি পোৱাত সন্তুষ্টি প্ৰকাশ কৰিছে পালেঙীৰ ৰাইজে। জানিব পৰা মতে হত্যাকাণ্ডৰে জড়িত বিশ্বজিৎ সিনহাই শেহতীয়াকৈ দৰিকা পাৰৰ সমীপত এখন ৰেষ্টুৰেন্ট ভাড়াত লৈ ব্যৱসায় কৰি আছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আগৰতলা কাণ্ডৰে জড়িত ৭জনক গ্ৰেপ্তাৰ

হোৱা উদ্বেগৰ মাজতে ত্ৰিপুৰাৰ আগৰতলাস্থিত বাংলাদেশৰ দূতাবাসত সংঘটিত হয় এক আক্ৰমণৰ ঘটনা। সোমবাৰে দূতাবাসৰ সমীপত সাব্যস্ত হোৱা প্ৰতিবাদৰ সময়ত নিৰাপত্তা বেষ্টনী ভাঙি একাংশই দূতাবাসত আক্ৰমণ কৰাৰ পিছতে এই ঘটনাক লৈ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে ত্ৰিপুৰা আৰক্ষীয়ে। এই ঘটনাৰ পিছত কৰ্তব্যত গাফিলতিৰ অভিযোগত তিনিজন উপ-পৰিদৰ্শকক নিলম্বন কৰাৰ লগতে এজন উপ-আৰক্ষী অধীক্ষকক ক্লজ' কৰা হৈছে। এই ঘটনাত এতিয়ালৈকে আৰক্ষীয়ে ৭ জন লোকক গ্ৰেপ্তাৰ কৰিছে। পশ্চিম ত্ৰিপুৰা জিলাৰ আৰক্ষী অধীক্ষক কিৰণ কুমাৰে জানিবলৈ দিয়া মতে, ঘটনা সন্দৰ্ভত স্বতঃপ্ৰণোদিত গোচৰ ৰুজু কৰা হৈছে আৰু তদন্ত অব্যাহত আছে। একে সময়তে বাংলাদেশ দূতাবাসৰ নিৰাপত্তা অধিক শক্তিশালী কৰা হৈছে। উল্লেখ্য যে, সোমবাৰে দূতাবাসৰ ওচৰত প্ৰতিবাদৰ সময়ত একাংশই নিৰাপত্তাৰক্ষীৰ বেষ্টনী ভাঙি দূতাবাসত প্ৰৱেশ কৰে। ঘটনাৰ কিছু সময়ৰ পিছতে কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এক বিবৃতি জাৰি কৰি ইয়াক গৰিহণা দিয়ে। কোনো কাৰণতে দূতাবাস বা কনছুলেটত আক্ৰমণ কৰাটো কেতিয়াও গ্ৰহণযোগ্য নহয় বুলিও তেওঁ কয়। ইয়াৰ উপৰিও ভাৰতত বাংলাদেশৰ দূতাবাসৰ নিৰাপত্তা বৃদ্ধি কৰা হৈছে। ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মাণিক সাহাইও এই ঘটনাক গৰিহণা দি কয় যে শান্তিপূৰ্ণ প্ৰতিবাদ কৰিব পাৰি, কিন্তু এনে আচৰণ মানি ল'ব নোৱাৰি। ইফালে মঙলবাৰে আগৰতলা-আখৌৰা স্থল বন্দৰত প্ৰতিবাদৰ আহ্বান জনাইছে এটা সংগঠনে। এই বিক্ষোভৰ অনুমতি নিদিলে আৰক্ষীয়ে। অৱশ্যে স্থল বন্দৰৰ সমীপত অতিৰিক্ত আৰক্ষী মোতায়েন কৰাৰ লগতে সীমান্তত কোনো ধৰণৰ সম্ভাব্য অশুভ পৰিস্থিতিৰ পৰা হাত সাৰিবলৈ বেৰিকেড স্থাপন কৰা হৈছে। সোমবাৰৰ ঘটনাৰ চিচিটিভি ফুটেজ পৰীক্ষা কৰি বাকীকেইজনক চিনাক্তকৰণৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিছে বুলি জানিবলৈ দিয়ে আৰক্ষীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# উদাত্ত ভাষণেৰে পুনৰ সংসদ কঁপালে

মূৰকত আজি সদন চলে। মণিপুৰ, চম্বল হিংসা, আদানিৰ উৎকোচ কাণ্ডৰ আলোচনা কৰিবলৈ দাবী উত্থাপন কৰি সদনত উত্তাল কৰি ৰখাৰ অন্তত আজিহে পৰা সদন চলিবলৈ দিয়ে বিৰোধীয়ে। আজি মণিপুৰৰ পৰিস্থিতিৰ বিষয়ে আলোচনা কৰিবলৈ কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈয়ে মঙলবাৰে লোকসভাত সদন স্থগিত প্ৰস্তাৱৰ জাননী দিয়ে। গগৈয়ে সদনত আদানিৰ নাম লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আক্ৰমণৰ লক্ষ্য কৰি লয়। গগৈয়ে প্ৰধানমন্ত্ৰীক কয় আপুনি দেশৰ সেৱক, আদানিৰ সেৱক নহয়। 'যেতিয়ালৈ মোদী আছে, তেতিয়ালৈকে আদানি সুৰক্ষিত' শ্ল'গান দি গৌৰৱ গগৈয়ে বিজেপিৰ 'সবকা সাথ-সবকা বিকাশ' শ্ল'গানক লৈ প্ৰশ্ন উত্থাপন কৰি কয় যে কলৈ গ'ল সেই সকলোৰে বিকাশ কৰাৰ শ্ল'গান। আমি কেৱল এজন মানুহৰ বিকাশ হোৱা দেখিছো। আন কাৰোৰে উন্নয়ন হোৱা নাই। সদনত গৌৰৱ গগৈয়ে আদানিৰ নাম লোৱাৰ লগে শাসক বিজেপিৰ সাংসদে চিঞৰ-বাখৰ কৰাত গৌৰৱে কয় যে আদানিৰ নাম ল'লে বেয়া পায়। আদানিক এওলোকে ভয় কিয় কৰে বুলি প্ৰশ্ন উত্থাপন কৰি আপুনি দেশৰ সেৱক, আদানিৰ সেৱক নহয় বুলি চিঞৰ চিঞৰি ক'বলৈ ধৰে যোৰহাটৰ সাংসদগৰাকীয়ে। যোৰহাটৰ সাংসদগৰাকীয়ে মণিপুৰৰ পৰিস্থিতিক লৈ সদনত উদাত্ত কণ্ঠে কয় যে মণিপুৰৰ গুৰুতৰ আৰু অৱনতিশীল পৰিস্থিতিৰ বিষয়ে আলোচনা কৰিবলৈ সদন স্থগিত প্ৰস্তাৱ উত্থাপন কৰিছো। ১৮ মাহধৰি চলি থকা এই সংঘৰ্ষ এক মানৱীয় সংকটলৈ পৰিণত হৈছে, যি ব্যাপক হিংসা, স্থানচ্যুত আৰু আৰ্থিক দিশ ধ্বংস হৈছে বুলি কয়। মণিপুৰত হিংসা নিয়ন্ত্ৰণ আৰু শান্তি পুনৰুদ্ধাৰ কৰাত ৰাজ্য চৰকাৰৰ ব্যৰ্থতাৰ কথা উল্লেখ কৰি গগৈয়ে কয় যে ৰাজ্যখন এতিয়া জাতিগতভাৱে বিভক্ত হৈ পৰিছে। দুয়োটা সম্প্ৰদায় সশস্ত্ৰ আৰু হিংসাত লিপ্ত হৈ আছে। ম্যানমাৰৰ সৈতে সুৰক্ষিত সীমান্ত অবৈধ অস্ত্ৰ ব্যৱসায় আৰু ড্ৰাগস সৰবৰাহৰ কেন্দ্ৰ হৈ পৰিছে। যাৰ ফলত পৰিস্থিতি অধিক তীব্ৰ হৈ পৰিছে। কংগ্ৰেছ সাংসদগৰাকীয়ে মণিপুৰৰ পৰিস্থিতিৰ প্ৰতি উদাসীন হৈ থকাৰ বাবে বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰক সমালোচনা কৰে আৰু সদনক বিষয়টো আলোচনা কৰিবলৈ তৎক্ষণাৎ বিবেচনা কৰিবলৈ আৰু এক ব্যাপক আলোচনাৰ দাবী জনায়। ব্যৱসায় বন্ধ হৈ গৈছে, জীৱিকা ধ্বংস হৈছে, আৰু ৰাজ্যখনৰ বিত্তীয় স্বাস্থ্যৰ অৱনতি ঘটিছে। দৰমহা পৰিশোধ আৰু পেঞ্চন বিতৰণত পলম হোৱাৰ ফলত মানুহৰ দুখ বৃদ্ধি পাইছে। কেন্দ্ৰৰ বিজেপি নেতৃত্বাধীন চৰকাৰে উদাসীন হৈ আছে। মণিপুৰৰ ভৱিষ্যত ভাৰতৰ একতা আৰু অখণ্ডতা বিপদত পৰিছে। আমি এই সংকটক আৰু উপেক্ষা কৰিব নোৱাৰো। মই সদনক এই জৰুৰী বিষয়টো তৎক্ষণাৎ বিবেচনা কৰিবলৈ আৰু এক ব্যাপক আলোচনাৰ দাবী জনাইছো। আনহাতে গৌৰৱ গগৈয়ে এটা ব্যক্তিগত খণ্ডৰ নিউজ এজেন্সিক দিয়া সাক্ষাতকাৰত শাসকীয় পক্ষই সদন চলিব নিদি বিভ্ৰান্তি কৰা বুলি অভিযোগ আনে। তেওঁ কয় যে সদন প্ৰথম দিনটোৰ পৰাই চলিলহেঁতেন যদি চৰকাৰে বিৰোধীৰ পৰামৰ্শ আৰু দাবী মানি ল'লেহেঁতেন। বিৰোধীয়ে প্ৰথম দিনটোতে স্পষ্ট কৰি দিছিল যে দুটা দিন সংবিধানক লৈ চৰ্চা হওক। কিন্তু চৰকাৰে বিৰোধীৰ এই কথা মানি নোলোৱাত সদনৰ গুৰুত্বপূৰ্ণ ৫টা দিন নষ্ট হয়। আমি প্ৰথমটো দিনৰ পৰা কৈ আহিছো যে চৰকাৰে দুটা দিন সংবিধানক লৈ আলোচনা কৰাক, বিৰোধীয়ে সহযোগ কৰিব। চৰকাৰে বিৰোধীৰ কথা মানি নলৈ কিয় সংসদক এনেদৰে বিভ্ৰান্ত কৰিলে সেই উত্তৰ চৰকাৰে দিব লাগিব। আমি ভাৰতৰ লগতে ভাৰতৰ বাহিৰৰ সকলো বিষয় সদনত উত্থাপন কৰিব খুজিছিলো। কিন্তু আমি সদনত উত্থাপন কৰিব বিচাৰো, ভাৰতৰ ভিতৰত আৰু বাহিৰত সকলো গুৰুত্বপূৰ্ণ বিষয়। সেই সকলোবোৰ বিষয়ত আমাৰ দলে বিভিন্ন সময়ত বক্তব্য আগবঢ়াইছে। এই বিষয়টোক লৈ আমি আমাৰ উদ্বেগ প্ৰকাশ কৰিছো। সংসদ প্ৰথম দিনাৰ পৰাই কাৰ্যকৰী হ'লহেঁতেন, যদিহে চৰকাৰে বিৰোধীৰ পৰামৰ্শ গ্ৰহণ কৰিলেহেঁতেন। প্ৰথম দিনাই বিৰোধীয়ে পৰামৰ্শ দিছিল যে সংবিধানৰ ওপৰত দুদিনীয়া আলোচনা হ'ব সদনত। কিন্তু কিছুমানৰ কাৰণ বাবে তেওঁলোকে আমাৰ কথা নুশুনিলে আৰু ৫ দিন ধৰি সংসদৰ সময় নষ্ট হ'ল,তেওঁলোকে স্পষ্ট কৰিব লাগিব, তেওঁলোকে সদনক কিয় বিপথে পৰিচালিত কৰিলে। এনেদৰেই আজি বিৰোধীৰ গৰ্জনেৰে উত্তাল হৈ পৰে সংসদৰ উভয় সদন।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বছৰি 'অইল'ৰ পৰা ২০ লাখকৈ দাবী

টকা ধনদাবী কৰিছে দেশৰ ৰাজহুৱা খণ্ডৰ অন্যতম শীৰ্ষ তৈল উদ্যোগ প্ৰতিষ্ঠানটোক। প্ৰতি বছৰে ২০ লাখ টকাকৈ কৰ দাবী কৰি এনএছচিএনে অইল ইণ্ডিয়া লিমিটেডলৈ পত্ৰ প্ৰেৰণ কৰিছে। অৰুণাচল প্ৰদেশৰ একাংশ অঞ্চলত স্বতন্ত্ৰ শাসন চলাই থকা এনএছচিএন/ জিপিআৰএনৰ এডমিনিষ্ট্ৰেটিভ অফিচাৰ মেজৰ থা আউঙে স্বাক্ষৰ কৰা পত্ৰখনত উল্লেখ কৰিছে যে অইলে তেওঁলোকৰ এলেকাধীন অৰুণাচল প্ৰদেশৰ উক্ত অঞ্চলত ব্যৱসায় চলাই আহিছে। সেয়ে অইল ইণ্ডিয়া লিমিটেডে এনএছচিএনক প্ৰতি বছৰে বিশ লাখ টকাকৈ আদায় দিব লাগিব। ২০২৩-২৪ বৰ্ষৰ এই কৰ অহা ১০ ডিচেম্বৰৰ পূৰ্বে আদায় দিব লাগিব। আনহাতে অইলৰ মুখপাত্ৰ প্ৰাংকুশমল্ল বুজৰবৰুৱাই এই সন্দৰ্ভত সংবাদ মাধ্যমক জানিবলৈ দিয়ামতে, উগ্ৰপন্থী সংগঠনটোৰ এই ধনদাবীৰ প্ৰতি লক্ষ্য ৰাখি অৰুণাচল প্ৰদেশৰ সমগ্ৰ অইল কৰ্মাঞ্চলত নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰি তোলা হৈছে। ইতিমধ্যে অইল ইণ্ডিয়াৰ সৈতে কেইবাটাও অতিৰিক্ত নিৰাপত্তাবাহিনী যুক্ত হৈ আছে আৰু অৰুণাচল প্ৰদেশ আৰক্ষীৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালকপ্ৰধানৰ সৈতে এই সন্দৰ্ভত যোগাযোগ কৰা হৈছে। তেওঁলোকে সম্ভৱপৰ সকলোধৰণৰ সহযোগিতা আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। অৱশ্যে সম্প্ৰতি অৰুণাচল প্ৰদেশৰ তৈলক্ষেত্ৰসমূহত স্বাভাৱিক উৎপাদন অব্যাহত আছে বুলিও মুখপাত্ৰজনে প্ৰকাশ কৰিছে। এতিয়া অইলে সংগঠনটোৰ দাবীক লৈ কি পদক্ষেপ গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# নৃশংস! ডুমডুমাত কুকুৰ, বকোত হাতীৰ

ঘটনা। ডুমডুমাৰ ৰূপাই চাইডিঙত এজনী গৰ্ভৱতী কুকুৰক নিৰ্মমভাৱে হত্যা কৰে মহম্মদ শ্বাহিদ নামৰ এটা মানৱৰূপী দানৱে। মাংস কটা চোকা কটাৰীৰে নিৰ্বল কুকুৰৰ পেটৰ ইপাৰ-সিপাৰ কৰিলে নিৰ্দয়ী শ্বাহিদ আলিয়ে। পেটত লৈ ফুৰা অজন্ম সন্তানৰ বাবে খাদ্যৰ সন্ধানত ঘূৰি ফুৰা এটা গৰ্ভৱতী নিষ্পাপ কুকুৰক শ্বাহিদ আলিয়ে পেটত চোকা কটাৰী ভৰাই দিয়াত পোহনীয়া কুকুৰজনীয়ে প্ৰাণৰ তাড়নাত ছটফটাই-ছটফটাই অতি কৰুণভাৱে মৃত্যুক সাবতি ল'বলগা হোৱাক লৈ এতিয়া ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। মাংস দোকানৰ পিছফালে পেলনীয়া মাংস খাবলৈ যোৱা সন্তান-সম্ভৱা কুকুৰজনীয়ে পেটত ডেগাৰ লৈ প্ৰাণ ৰক্ষাৰ আপ্ৰাণ চেষ্টা কৰি ঘটনাস্থলীৰ পৰা পলায়নৰ চেষ্টা কৰে যদিও নিষ্ঠুৰ নিয়তিৰ ওচৰত হাৰ মনা কুকুৰজনীয়ে অৱশেষত ঘটনাস্থলীৰ পৰা কিছু আঁতৰত ঢলি পৰে। অত্যন্ত হৃদয় বিদাৰক সেই দৃশ্য প্ৰত্যক্ষ কৰা প্ৰতিজনেই চকুলো টোকা দৃশ্যও আছিল বৰ্ণনাতীত। এনে অমানুষিক ঘটনা প্ৰত্যক্ষ কৰি স্থানীয় লোকে ক্ষোভিত হৈ পৰাত হত্যাকাৰী শ্বাহিদ আলীয়ে কুকুৰজনীৰ মৃতদেহ তুলি লৈ ঘটনাস্থলীৰ পৰা পলায়ন কৰে। পৰৱৰ্তী সময়ত ডুমডুমা আৰক্ষীয়ে ঘটনাস্থলিত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে আৰু মাজনিশা মানৱতাহীন, নিকৃষ্ট মানসিকতাৰ শ্বাহিদ আলিক আটক কৰাৰ লগতে হত্যাত ব্যৱহৃত ডেগাৰ আৰু কুকুৰজনীৰ মৃতদেহ উদ্ধাৰ কৰে। আনহাতে এই ঘটনাত তীব্ৰভাৱে ক্ষোভিত হৈ পৰিছে এনিমেল ৱেলফেয়াৰ পিপল নামৰ বেচৰকাৰী সংস্থাটো। গৰ্ভৱতী কুকুৰজনীক নিৰ্মমভাৱে হত্যা কৰা হত্যাকাৰী শ্বাহিদ আলিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে ডুমডুমাবাসীয়ে। উল্লেখ্য যে, গুৱাহাটীস্থিত এটা সংবাদ প্ৰতিষ্ঠানে ঘটনা সন্দৰ্ভত তিনিচুকীয়া জিলাৰ আৰক্ষী অধীক্ষকক দিয়া এজাহাৰৰ ভিত্তিত ডুমডুমা আৰক্ষীয়ে হত্যাকাৰী শ্বাহিদ আলিক গ্ৰেপ্তাৰ কৰি ভাৰতীয় ন্যায় সংহিতাৰ ৩২৫/৩২৪(৪) ধাৰাত এটা গোচৰ ৰজু কৰে। আনহাতে, সন্তানসম্ভৱা এটি বনৰীয়া হাতীৰ মৃত্যুৰ ঘটনাই পশ্চিম কামৰূপৰ বকোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। নিশাৰ সময়ত পশ্চিম কামৰূপ সংমণ্ডলৰ অন্তৰ্গত কেইবাটাও অঞ্চলত বনভূমিৰ অবৈধ খনন অব্যাহত থকাৰ সময়তে গাভিনী মৃত হাতী উদ্ধাৰ হয়। পশ্চিম কামৰূপ বন সংমণ্ডলৰ অন্তৰ্গত বন্দাপাৰা বন ৰেঞ্জৰ হাচি-মুহিপাৰা গাঁৱত গাভিনী হাতীটোৰ মৃত্যু হয়। সোমাবাৰে ধানখেতিত স্থানীয় লোকে মৃত হাতীটো প্ৰত্যক্ষ কৰিছিল। ৰেঞ্জ অফিচাৰ অনিমেশ কলিতাই তদন্ত আৰম্ভ কৰিছে। ৰেঞ্জাৰ অনিমেশ কলিতাই কয় যে পশু চিকিৎসা চিকিৎসকসকলে প্ৰথমতে নিশ্চিত কৰিছিল যে প্ৰাপ্তবয়স্ক মাইকী হাতীৰ বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু হৈছে। গৰ্ভত এটা মতা কেঁচুৱা আছিল। কিন্তু এয়া হত্যাকাণ্ডও হ'ব পাৰে। অপৰাধীসকলক বিচাৰি উলিওৱাৰ বাবে তদন্ত চলি আছে। দুৰ্বৃত্তই হত্যা কৰিলেনে অন্য কোনো কাৰণত গাভিনী হাতীটোৰ মৃত্যু হ'ল তাকে লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ৰাইজে বিদ্যুৎস্পৃষ্ট হৈ হাতীটোৰ মৃত্যু হোৱা বুলি দাবী কৰিছে। একাংশ লোকে কয় যে সংৰক্ষিত বনাঞ্চলত অবৈধ বেদখলৰ ফলত মানুহ-হাতীৰ সংঘৰ্ষ দিনক দিনে বাঢ়ি আহিছে। তেনে সময়তে হাচি-মুহিপাৰা গাঁৱত প্ৰায় ৪০-৫০ টা হাতীৰ জাক প্ৰৱেশ কৰিছিল। জাকটোৰ মাজৰ পৰা ফালৰি কাটি অহা হাতীটো বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু হৈছে।

# গোৰেশ্বৰত নিশা বাঁহৰ দলঙত অগ্নিসংযোগ, সংযোগ বিচ্ছিন্ন একাধিক অঞ্চল



**ই-সংবাদ, ওদালগুৰি ২ ডিচেম্বৰঃ** কেইবাটাও সাম্প্ৰদায়িক হিংসাৰ জুই দেখা বিটিআৰবাসীয়ে সোমবাৰে নিশাৰে পৰা পুনৰ আতংকিত হৈছে। সোমাবাৰে নিশা বিটিআৰৰ তামুলপুৰ জিলাৰ গোৰেশ্বৰত এন্ধাৰৰ সুযোগ লৈ অচিনাক্ত দুৰ্বৃত্তই ৰাইজে নিৰ্মাণ কৰি লোৱা বাঁহৰ দলং জ্বলাই দিয়াৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ৰঙিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত গোৰেশ্বৰত কেইবা হাজাৰ লোকৰ যাতায়ত একমাত্ৰ সম্বল হিচাপে ব্যৱহাৰ কৰি থকা দলংখন জ্বলাই দিয়াত ৰাইজৰ হাহাকাৰ লাগিছে। ৰাইজে নিৰ্মাণ কৰি লোৱা বাঁহৰ দলংখনৰ ঠাইত এখন পকী দলং নিৰ্মাণ কৰিবলৈ দাবী জনাই আহিছে যদিও বিধায়ক ভবেশ কলিতা আৰু বিটিআৰৰ স্থানীয় অকৰ্মণ্য পাৰিষদ পবিত্ৰ বড়োৱে গুৰুত্ব প্ৰদান কৰা নাই বুলি অভিযোগ উত্থাপন হৈ আহিছে। তেনে সময়তে গোৰেশ্বৰ চহৰৰ পৰা কিছু নিলগৰ বৰকুচুলা-বাঘডোবা সংযোগী পথৰ বাহৰ দলংখনত দুৰ্বৃত্তই অগ্নি সংযোগ কৰি জ্বলাই দিয়ে। জানিব পৰা মতে, সোমবাৰে নিশা হঠাতে দলংখন দাউদাউকৈ জ্বলি উঠে। জুইকুৰা প্ৰত্যক্ষ কৰি হুৰা-দুৰা লাগে। ক'ত কি হৈছে সেয়া তলকিব নোৱাৰিলে ৰাইজে। প্ৰথমে আতংকিত হৈছিল যদিও পিছলৈ জুইকুৰা অভিমুখে একাংশ লোক ধাৱমান হোৱাত দলংখন দাউদাউকৈ জ্বলি থকা প্ৰত্যক্ষ কৰে। ৰাইজে দলংখনৰ জুই নিৰ্বাপণ কৰিবলৈ প্ৰয়াস কৰে যদিও সেয়া সম্ভৱ হৈ নুঠিল। কিছু সময় পিছত অগ্নি নিৰ্বাপক বাহিনীৰ গাড়ী উপস্থিত হৈ জুই নিৰ্বাপণৰ চেষ্টা কৰে যদিও দলংখন ইতিমধ্যে জ্বলি ছাঁই হয়। স্থানীয় আৰক্ষী উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰি দুৰ্বৃত্তক গ্ৰেপ্তাৰ কৰিবলৈ অভিযান আৰম্ভ কৰা বুলি জানিব পৰা গৈছে। স্থানীয় ৰাইজে অচিনাক্ত দুৰ্বৃত্তই বাঁহৰ দলংখন জ্বলাই দিয়াৰ সন্দেহ কৰিছে। বৰকুচুলাৰ বড়ো চুবুৰীৰ জানৰ ওপৰত থকা বাঁহৰ দলংখন জ্বলাই দিয়াত বালাবাৰী, বাঘডোবা, হালুংবাৰী, টঙাবাৰী, বৰকুছুলা আদি এলেকাৰ যোগাযোগ ব্যাহত হৈ পৰিছে। তদানীন্তন বিপিএফ চৰকাৰৰ দিনতে বৰকুচলাৰ বড়ো চুবুৰীৰ জানৰ ওপৰত পকী দলংখনৰ নিৰ্মাণৰ কাম কৰা হৈছিল যদিও আজিও আধৰুৱা হৈ থাকিল। ৰাইজে গাঁঠিৰ ধন ভাঙি বাঁহৰ দলং নিৰ্মাণ কৰি যাতায়ত কৰি আহিছে। দীৰ্ঘদিনে পকী দলং নিৰ্মাণৰ দাবী জনাই অহাৰ পিছতো জনপ্ৰতিনিধিয়ে গুৰুত্ব নিদিয়াৰ অভিযোগ ৰাইজৰ। বাঁহৰ দলংখন দুবৃত্তই অগ্নিসংযোগ কৰাত অঞ্চলত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। দুৰ্বৃত্তৰ অন্য কিবা উদ্দেশ্যে থাকিব পাৰে নেকি তাকে লৈ চৰ্চা হ'বলৈ ধৰিছে।

# মৰিগাঁৱত কৰুণাধাৰাৰ সৌজন্যত বিশ্ব প্ৰতিবন্ধী দিৱস পালন

**ই-সংবাদ, মৰিগাঁও, ৩ ডিচেম্বৰঃ** ৰাজ্যৰ অন্যতম দাতব্য সংস্থা 'কৰুণাধাৰা'ৰ সৌজনাত মৰিগাঁও জিলা প্ৰশাসন, 'কৰুণাধাৰা' মৰিগাঁও জিলা সহায়ক সমিতিৰ উদ্যোগত, মানৱ কল্যাণত ব্ৰতী স্থানীয় একাধিক সংগঠনৰ সহযোগত আজি মৰিগাঁও চহৰস্থিত স্থানীয় গান্ধী ভৱনত বিশ্ব প্ৰতিবন্ধী দিৱস পালন কৰা হয়। এই উপলক্ষে পুৱা বন্তি প্ৰজলন আৰু ফলক উন্মোচনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে মৰিগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই। কৰুণাধাৰাৰ পতাকা উত্তোলন কৰে সংস্থাটোৰ সভাপতি প্ৰতুল চন্দ্ৰ ফুকনে। সংস্থাটোৰ জনক সাহিত্যিক হোমেন বৰগোহাঁইৰ ছবিত মাল্যাৰ্পণ কৰে সচিব নৰজ্যোতি ভূঞাই। দিৱস উপলক্ষে উলিওৱা শোভাযাত্ৰা উদ্বোধন কৰে অসম অৰক্ষী সেৱা বিষয়া ধ্ৰুৱ জ্যোতি নাথে। ইয়াৰ পিছত একাদিক্ৰমে প্ৰতিবন্ধীসকলৰ সৃষ্টিশীল কৰ্মৰাজিৰ প্ৰদৰ্শনী, চিত্ৰাংকন প্ৰতিযোগিতা আৰু কণ্ঠ সংগীত তথা বাদ্য সংগীতৰ অনুষ্ঠান অনুষ্ঠিত হয়। এই কাৰ্যসূচী কেইটাৰ শুভ উদ্বোধন কৰে ক্ৰমে কৰুণাধাৰাৰ উপ-সভাপতি নীলিমা গোস্বামী, মৰিগাঁও লায়ঞ্চ ক্লাবৰ প্ৰাক্তন সভাপতি ডাঃ তুলেশ্বৰ নাথ আৰু কৰুণাধাৰাৰ মৰিগাঁও জিলা সমিতিৰ উপদেষ্টা ডাঃ পুনিৰাম পাটৰে। পৰৱৰ্তী সময়ত প্ৰতুল চন্দ্ৰ ফুকনৰ সভাপতিত্বত অনুষ্ঠিত এখনি মুকলি সভাত স্থানীয় বিধায়ক ৰমাকান্ত দেউৰী, জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, জিলা শিক্ষা বিষয়া অপূৰ্ব ঠাকুৰীয়া, জিলা সমাজ কল্যাণ বিষয়া, মনিকা বৰঠাকুৰ, মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়া, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি ড০ বিৰিঞ্চি কুমাৰ শৰ্মা, মৰিগাঁও জিলা কবি সম্মিলনৰ প্ৰাক্তন সভাপতি আবুল হাচেম আল আমানকে ধৰি বহু সংখ্যক গণ্য মান্য লোক উপস্থিত থাকে।



মৰাণৰ দশম বাৰ্ষিক কেন্দ্ৰীয় ছ্যু-কা-ফা দিৱসত লুৰীণজ্যোতি গগৈ

## মায়ঙত ২৬ টাকৈ চোৰাং গৰু জব্দ, চাৰি সৰবৰাহকাৰীক আটক

# আৰক্ষীৰ কঠোৰ পদক্ষেপেও ৰোধিব পৰা নাই গৰুৰ চোৰাং বেহা

**ই-সংবাদ, মৰিগাঁও, ৩ ডিচেম্বৰঃ** মৰিগাঁও আৰক্ষীয়ে গৰু চুৰি আৰু গৰুৰ অবৈধ সৰবৰাহ প্ৰতিৰোধৰ বাবে কঠোৰতম পদক্ষেপ গ্ৰহণ কৰাৰ পিছতো জিলাখনত প্ৰতিৰোধ কৰিব পৰা নাই গৰুৰ চোৰাং বেহা। চোৰাং গৰু সৰবৰাহৰ লগত জড়িত বহুকেইজন ব্যক্তিক আৰক্ষীয়ে ইতিমধ্যে গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰাৰ পাছতো ৰোধ কৰিব পৰা নাই এই কু-কাৰ্য। ইয়াৰ মাজতেই যোৱা নিশা জিলাখনৰ মায়ং আৰক্ষীয়ে বাহনসহ ২৬ টাকৈ চোৰাং গৰু জব্দ কৰাৰ লগতে চাৰিজন চোৰাং গৰু সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য মতে, নিশা এক গোপন সূত্ৰৰ পম খেদি মায়ং আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰ বৰ্মনৰ নিৰ্দেশত এটি আৰক্ষীৰ দলে অভিযান চলাই কমাৰপুৰৰ পৰা এ এছ-১৫ এচি-৯২৫৬ নম্বৰৰ বাহনখনত কঢ়িয়াই অনা উক্ত চোৰাং গৰুকেইটা উদ্ধাৰ কৰে আৰু গৰু সৰবৰাহকাৰী কেইটাক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন গৰু সৰবৰাহকাৰী কেইটা ক্ৰমে ৰাজা দলে, দীপ পাটীৰ, আফাজ উদ্দিন আৰু আবুল হুছেইন বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে আটকাধীন লোককেইজনক অধিক তথ্যৰ বাবে মায়ং আৰক্ষী থানাত জেৰা অব্যাহত ৰাখিছে।

# পাটাকাটা তৃতীয় খণ্ড গাঁৱত কংগ্ৰেছৰ যোগদান কাৰ্যসূচী

**ই-সংবাদ, পৰ্বতঝোৰা, ৩ ডিচেম্বৰঃ** আজি আবেলি ২.৩০ টা মান বজাত নৱ গঠিত বীৰ সিং জৰুৱা সমষ্টিৰ মছলাপাৰা গাঁও পঞ্চায়তৰ পাটাকাটা তৃতীয় খণ্ড গাঁৱৰ ঈদগাহ ময়দানত নায়েৰ আলগা ব্লক কংগ্ৰেছ কমিটীৰ উদ্যোগত মছলাপাৰা মণ্ডল কমিটীৰ সভাপতি শ্বাহ দুলাল সেখৰ সহযোগত এক যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। উল্লেখ্য যে নায়েৰ আলগা ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি ছফিকুল ইছলামৰ সভাপতিত্বত অনুষ্ঠিত যোগদান কাৰ্যসূচীত উপস্থিত থাকে দক্ষিণ শালমাৰাৰ বিধায়ক ৱাজেদ আলী চৌধুৰী, ৰবিয়াল হক মোল্লা, জহিৰুল ইছলাম, ওমৰ আলীকে আদি কৰি ভালে সংখ্যক কংগ্ৰেছ দলৰ নেতা-কৰ্মী। উক্ত কাৰ্যসূচীত দক্ষিণ শালমাৰাৰ বিধায়ক ৱাজেদ আলী চৌধুৰীয়ে শাসকীয় বিজেপি দলৰ লগতে ৰাইজৰ দলৰ সভাপতি অখিল গগৈক তীব্ৰ সমালোচনা কৰে। আজিৰ যোগদান কাৰ্যসূচীত শতাধিক এ আই ইউ ডি এফ আৰু বিজেপি দলৰ কৰ্মীয়ে দলত্যাগ কৰি কংগ্ৰেছ দলত যোগদান কৰে।

# পশ্চিম নলবাৰীৰ বেলশৰত আন্তৰ্জাতিক প্ৰতিবন্ধী দিৱস উদযাপন

**ই-সংবাদ, নলবাৰী, ৩ ডিচেম্বৰঃ** পশ্চিম নলবাৰী খণ্ড মিছন কেন্দ্ৰৰ উদ্যোগত পশ্চিম নলবাৰী শিক্ষাখণ্ডৰ অধীনৰ ১৩৪/১ নং বেলশৰ প্ৰাথমিক বিদ্যালয়ত আজি দিনজোৰা কাৰ্যক্ৰমনিকাৰে আন্তৰ্জাতিক প্ৰতিবন্ধী দিৱস পালন কৰা হয়। এই উপলক্ষে পুৱাৰ ভাগত বিদ্যালয় প্ৰাংগণত চাফাই অভিযানৰ পিছতে পতাকা উত্তোলন কৰে ১৩৪/১ নং প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী শান্তি কাকতিয়ে। গছপুলি ৰোপণ কৰা হয় পশ্চিম নলবাৰী শিক্ষাখণ্ডৰ অন্তৰ্গত এজাক দিব্যাংগ শিশুৰ দ্বাৰা। ইয়াৰ পাছতে ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু ৰাইজৰ দ্বাৰা এক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাৰ পাছত বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকলৰ মাজতে সংগীত, লঘু খেল-ধেমালি আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। খেলসমূহ পৰিচালনা কৰে পশ্চিম নলবাৰী শিক্ষাখণ্ডৰ বি আৰ পি কুলেন্দ্ৰ অধিকাৰী, শিক্ষক ৰাতুল বৰ্মন, চি আৰ চি চি অমল ডেকা, কমল কুমাৰ তালুকদাৰ, প্ৰণামী হাজৰিকা, পশ্চিম নলবাৰীৰ বিশেষ শৈক্ষিক বিষয়া ৰুবী দেৱী, আৰ পি ৰুবুল তালুকদাৰ, মহঃ মকিবৰ ৰহমান, সমল ব্যক্তি ৰাজুমনি দাস, বিনীতা বৰ্মন, পুতুলী ডেকা আদিয়ে।দিনৰ ১.০০ বজাত আমনি শংকৰ প্ৰাথমিক বিদ্যালয়ৰ সহঃ শিক্ষক তপন কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা আৰু বঁটা বিতৰণী সভাত বিশিষ্ট অতিথিৰূপে যোগদান কৰে পশ্চিম নলবাৰী খণ্ড মিছন সমন্বয়ক মঞ্জু দেৱী। ভাষণ প্ৰসংগত তেওঁ কয় যে এনেবোৰ অনুষ্ঠানে দিব্যাংগ ছাত্ৰ-ছাত্ৰীসকলক বহুত উৎসাহ যোগাই তোলে। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে নলবাৰী জিলা আঁচনি বিষয়া প্ৰফুল্ল কলিতা উপস্থিত থাকে। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে বনভাগ বালিকা হাইস্কুল খাতিকুছি নলবাৰীৰ সহকাৰী শিক্ষক চন্দ্ৰ শেখৰ শৰ্মা। তেওঁ ভাষণত কয় যে আচলতে দিব্যাংগসকল হ'ল ভগৱানৰ দান। তপন কুমাৰ শৰ্মাই সমবেত ৰাইজৰ উদ্দেশ্যি তথ্যসমৃদ্ধ ভাষণ দাঙি ধৰে। ভাষণ প্ৰসংগত তেওঁ কয় যে দিব্যাংগসকল আমাৰ সম্পদ। আদৰণি ভাষণ দিয়ে খণ্ড প্ৰাথমিক শিক্ষা বিষয়া মঞ্জু দেৱীয়ে। দেৱীয়ে আন্তৰ্জাতিক প্ৰতিবন্ধী দিৱসৰ গুৰুত্ব, তাৎপৰ্য আৰু মহত্ব সম্পৰ্কে ব্যাখ্যা দাঙি ধৰে। অনুষ্ঠানৰ আঁত ধৰে শিক্ষা বিভাগৰ পুতুলী ডেকাই। তপন কুমাৰ শৰ্মাই প্ৰতিবন্ধী দিৱসৰ কাৰ্যসূচী ৰূপায়ণত সহায় কৰা বাবে উপস্থিত ছাত্ৰ-ছাত্ৰী, অভিভাৱক সমন্বিতে সকলোকে ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী মমতা বেগমো উপস্থিত থাকে আৰু দিব্যাংগসকলে লাভ কৰা প্ৰমান পত্ৰখনৰ সুবিধাসমূহৰ বিষয়ে বুজাই কয়। অনুষ্ঠানত চিআৰচিচিসকলৰ লগতে প্ৰতিবন্ধী ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকলকে ধৰি পশ্চিম নলবাৰীৰ বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বঁটা বিতৰণী অনুষ্ঠানৰ আঁত ধৰে চি আৰ চি চি কমল তালুকদাৰে। সভাৰ শেষত জাতীয় সংগীতেৰে সভাৰ সামৰণি মাৰে।

# বস্ত্ৰ ভঁৰাললৈ হোজাইৰ উদালি মহাবিদ্যালয়ৰ নতুন-পুৰণি কাপোৰৰ টোপোলা



ই-সংবাদ, মোৰাঝাৰ, ৩ ডিচেম্বৰঃ হোজাই জিলাৰ উদালি মহাবিদ্যালয়ৰ অসমীয়া, অৰ্থনীতি, বাংলা বিভাগ আৰু মহাবিদ্যালয়ৰ মহিলা কোষৰ তৰফৰ পৰা নগাঁৱৰ স্বেচ্ছাসেৱী অনুষ্ঠান বস্ত্ৰ ভঁৰাল(THE CLOTHES BANK)লৈ পুৰণি আৰু নতুন কাপোৰৰ টোপোলা আগবঢ়োৱা হয়। উল্লেখ্য যে, নগাঁওস্থিত স্বেচ্ছাসেৱী অনুষ্ঠান বস্ত্ৰ ভঁৰালে ২০১৭ চনৰ পৰা নিৰৱচ্ছিন্নভাৱে দৰিদ্ৰপীড়িত আৰু এডোখৰ বস্ত্ৰৰ অভাৱত জাৰত কঁপি থকা মানুহৰ মাজত কাপোৰ বিতৰণ কৰি আহিছে। জানিব পৰা মতে, প্ৰায় ৭০,০০০ লোকৰ মাজত আজিলৈকে তেওঁলোকে বস্ত্ৰ বিতৰণ কৰিছে। স্মৰ্তব্য যে, লংকাৰ উদালি মহাবিদ্যালয়ৰ দ্বাৰা আয়োজিত আজিৰ এই অনুষ্ঠানত উদালি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ অৰুণ বৰা, অধ্যাপিকা জোনালী লস্কৰ, মহিলা কোষৰ আহ্বায়িকা অধ্যাপিকা ৰাস্না বৰুৱা, অধ্যাপিকা অনামিকা পাল, অধ্যাপক আচিক আহমেদ, উপাধ্যক্ষ মুস্তাক হুছেইন, অধ্যাপক নজৰুল ইছলাম, অধ্যাপক শিৰজী চৌহান, ছাত্ৰ একতা সভাৰ সভাপতি ফৰিজ আলম, সাংস্কৃতিক সম্পাদক দিলৱাৰ হুছেইন, সহঃ সাধাৰণ সম্পাদক মেহবুব আহমেদ, বস্ত্ৰ ভঁৰালৰ সভাপতি বিৰিঞ্চি বৰা, সম্পাদিক বকুল হুছেইন, উপ-সভাপতি প্ৰাঞ্জল মজুমদাৰ আৰু বিশিষ্ট কবি সাহিত্যিক কুমাৰ বিভুতি উপস্থিত থাকে। অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ অৰুণ বৰাই সমাজৰ পিছপৰা মানুহলৈ বস্ত্ৰ ভঁৰালৰ মাধ্যমেৰে সহায়-সহযোগিতা আগবঢ়াবলৈ বছৰি নতুন-পুৰণি কাপোৰ তথা আন সহযোগিতাৰ বাবে বস্ত্ৰ ভঁৰালৰ সৈতে এক বুজা-বুজি চুক্তিত স্বাক্ষৰ কৰাৰ কথা ঘোষণা কৰে।



সমষ্টিবাসীৰ মনৰ বতৰা লৈ পত্নীৰ সৈতে একপি ফটো উঠিলে মন্ত্ৰী পীযুষ হাজৰিকাই

**চেলেংহাটৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পৰ খেল পথাৰত ৰাজহ মন্ত্ৰী যোগেন মহন**

# পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ দ্বি বাৰ্ষিক অধিৱেশনৰ লাইখুঁটা স্থাপন

**ই-সংবাদ, মৰিয়নি, ৩ ডিচেম্বৰঃ** যোৰহাট জিলাৰ নাগালেণ্ড সীমান্তৱৰ্তী চেলেংহাটত এতিয়া উখল-মাখল পৰিৱেশ। চেলেংহাটৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পৰ খেল পথাৰৰ মুক্তিযোদ্ধা ডামচাও তিলক গগৈ সমন্বয় ক্ষেত্ৰত অহা ২৭, ২৮ আৰু ২৯ ডিচেম্বৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ ৪১সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশন। এই উপলক্ষে আজি ধৰ্মীয় মংগলিক কাৰ্যসূচীৰে লাইখুঁটা স্থাপন কৰা অনুষ্ঠানত উপস্থিত থাকে অসম চৰকাৰৰ ৰাজহ মন্ত্ৰী যোগেন মহন। টাই আহোমৰ সম্পূৰ্ণ ৰীতি-নীতি অনুসৰি লাইখুঁটা স্থাপন কৰা হয়। লাইখুঁটা স্থাপনস্থলীত কেবিনেট মন্ত্ৰীগৰাকীৰ লগতে মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীও উপস্থিত থাকে। অনুষ্ঠানটোত মন্ত্ৰী যোগেন মহনে ১৯৬২ চনৰ পৰা পূৰ্বাঞ্চল টাই সাহিত্য সভাই টাই ভাষাৰ উন্নতি কল্পে কাম কৰি অহা বুলি উল্লেখ কৰে। তেওঁ সকলো জাতি-জনগোষ্ঠীৰ লোকক টাই ভাষা শিকিবলৈ আহ্বান জনোৱাৰ লগতে অধিৱেশনখনত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি অতুল ফুকনকে প্ৰমুখ্য কৰি উদযাপন সমিতিৰ সভাপতি ড০ সুৰেশ চন্দ্ৰ ৰাজখোৱা, কাৰ্যকৰী সভাপতি চাও নিলোৎপল গগৈ, যুটীয়া সম্পাদকদ্বয় সঞ্জীৱ ঢেকিয়াল ফুকন আৰু চাও অনুৰঞ্জন দুৱাৰাৰ লগতে দুই শতাধিক লোকে অংশগ্ৰহণ কৰে।

# ৰঙিয়া আদৰ্শ চিকিৎসালয়ত স্বাস্থ্য সেৱা উৎসৱ

**ই-সংবাদ, ৰঙিয়া, ৩ ডিচেম্বৰঃ** ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে চৰকাৰী খণ্ডৰ চিকিৎসালয়সমূহৰ মান উন্নত কৰাৰ লক্ষ্যৰে অনুষ্ঠিত কৰি আহিছে স্বাস্থ্য সেৱা উৎসৱ। উক্ত কাৰ্যসূচীৰ আধাৰত আজি ৰঙিয়া আদৰ্শ চিকিৎসালয়তো অনুষ্ঠিত কৰা হয় স্বাস্থ্য সেৱা উৎসৱ। উক্ত কাৰ্যসূচীত পৰ্যবেক্ষক ৰূপে উপস্থিত থাকে আই পি এছ বিষয়া প্ৰশান্ত সাগৰ চাংমাইৰ লগতে কৃষি বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা নীলাক্ষ শৰ্মা আৰু পেথোলজিষ্ট ডাঃ অশ্ৰিতা দত্ত। কাৰ্যসূচীত অংশগ্ৰহণৰ পূৰ্বে পৰ্যবেক্ষক কেইগৰাকীক চিকিৎসালয় কৰ্তৃপক্ষই আদৰণি জনায়। ইফালে, অনুষ্ঠানটি সুকলমে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা চিকিৎসক তথা কৰ্মচাৰীবৃন্দৰ শলাগ লয় উপ-অধীক্ষক ডাঃ নৱনীতা বৰাই।

# ডিব্ৰুগড়ত আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস উদযাপন

ই-সংবাদ, ডিব্ৰুগড়, ৩ ডিচেম্বৰঃ ডিব্ৰুগড় জিলা প্ৰশাসন, সমাজ কল্যাণ বিভাগ ডিব্ৰুগড়, জিলা আইন সেৱা প্ৰাধিকৰণৰ সহযোগত তথা প্ৰেৰণা প্ৰতিবন্ধী এন জি অ'ৰ সৌজন্যত আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস আজি গ্ৰামোন্নয়ন অভিকৰণৰ সভাগৃহত উদযাপন কৰা হয়। আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱসৰ কাৰ্যসূচীত জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ উপস্থিতিত দুগৰাকী বিশেষভাৱে সক্ষম ব্যক্তিক একোখনকৈ ট্ৰাই চাইকেল আৰু এগৰাকী বিশেষভাৱে সক্ষম ব্যক্তিক হুইল চেয়াৰ প্ৰদান কৰা হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে বিশেষভাৱে সক্ষম শিশু তথা ব্যক্তিসকলক সমাজৰ একোজন মানৱ সম্পদ বুলি উল্লেখ কৰি কয় যে, এইসকল বিশেষভাৱে সক্ষম ব্যক্তি তথা শিশুৰ বাবে এশ শতাংশ সা-সুবিধা সুনিশ্চিত কৰিবলৈ হ'লে সকলোৰে সন্মিলিত প্ৰচেষ্টা হাতত ল'ব লাগিব। জিলা আয়ুক্তগৰাকীয়ে বিশেষভাৱে সক্ষম ব্যক্তিসকলে এই অনুষ্ঠানত অৱগত কৰা বিভিন্ন অসুবিধাসমূহৰ সমাধানৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও উল্লেখ কৰে। আনহাতে, বিশেষভাৱে সক্ষম ব্যক্তি তথা শিশুসকলৰ কল্যাণৰ বাবে অহৰ্নিশে প্ৰচেষ্টা আগবঢ়াইযোৱাৰ বাবে প্ৰেৰণা প্ৰতিবন্ধী এন জি অ'কো জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে ধন্যবাদ জ্ঞাপন কৰে। আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱসৰ কাৰ্যসূচীত নিৰ্বাচনী বিষয়া প্ৰাঞ্জীল গগৈ, সহকাৰী আয়ুক্ত তথা ভাৰপ্ৰাপ্ত সমাজকল্যাণ বিষয়া সুপ্ৰিয়া বাউলাৰী, নাবাৰ্ডৰ ডিব্ৰুগড় জিলা উন্নয়ন প্ৰবন্ধক প্ৰণয় বৰদলৈ, জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব অভিজিৎ শইকীয়া, অসম চিকিৎসা মহাবিদ্যালয়ৰ অস্থি বিভাগৰ চিকিৎসক ডাঃ বিপুল বৰঠাকুৰ আৰু ব্যক্তি উপস্থিত থাকে।

# ছিপাঝাৰৰ গণেশকুঁৱৰীত আন্তৰ্জাতিক দিব্যাংগ দিৱস উদযাপন

**ই-সংবাদ, দুমুনিচকী, ৩ ডিচেম্বৰঃ** সমগ্ৰ শিক্ষা অভিযান, দৰঙৰ অন্তৰ্গত ছিপাঝাৰ শিক্ষাখণ্ডৰ উদ্যোগত আজি গণেশকুঁৱৰী সমীপৰ নিজকুঁৱৰী মণ্ডল সমল কেন্দ্ৰৰ অধীনস্থ হিৰাপাৰা প্ৰাথমিক বিদ্যালয়ত দিনজোৰা কাৰ্যক্ৰমনিকাৰে আন্তৰ্জাতিক দিব্যাংগ দিৱস উদযাপন কৰা হয়। এই উপলক্ষে পুৱা বন্তি প্ৰজ্বলন কৰে হিৰাপাৰা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক কিশোৰ শৰ্মাই। ইয়াৰ পিছত গছপুলি ৰোপণ কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক হুমায়ুন কবীৰে। শোভাযাত্ৰা অনুষ্ঠানটি উদ্বোধন কৰে নতুন খলিহে প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক টপেশ্বৰ দাসে। প্ৰায় ৫০ টি দিব্যাংগ শিশুৰ লগতে অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী আৰু দৰং জিলাৰ ছিপাঝাৰ শিক্ষা খণ্ডৰ শিক্ষাৰ সমল ব্যক্তিসকলে অংশগ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন খেল-ধেমালি আৰু গীতৰ প্ৰতিযোগিতা পৰিচালনা কৰে বাঁহগড়া গণেশকুঁৱৰী জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক ধীৰাজ কুমাৰ বৰাই। দিনৰ ১ বজাৰ পৰা মুকলি সভা আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক বন্তিউৰ ৰহমানে আঁত ধৰা মুকলি সভাখনত ছিপাঝাৰ শিক্ষা খণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া গীতা দেৱীয়ে সভাপতিত্ব কৰে। উক্ত অনুষ্ঠানত বিদ্যালয়সমূহৰ পৰিদৰ্শক লক্ষ্যধৰ শৰ্মা, বাঁহগড়া গণেশকুঁৱৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক শশাংক হাজৰিকা আৰু ছিপাঝাৰ বি জে ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক পৱিত্ৰ হাজৰিকাই বহুমূলীয়া ভাষণ আগবঢ়ায়। প্ৰায় ২০০ গৰাকী ছাত্ৰ-ছাত্ৰী উপস্থিত থকা মুকলি সভাৰ সামৰণিত বিভিন্ন প্ৰতিযোগিতাত স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কৃত কৰা হয়। লগতে এই অনুষ্ঠানত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী দিব্যাংগ শিশুক একোটাকৈ পানী খোৱা ফ্লাস্ক উপহাৰ হিচাপে দিয়া হয়।



লক্ষ্য ক'ত? সদনৰ সন্মুখত এনেকৈয়ে দেখা গল ৰাহুল গান্ধীক

# বিশিষ্ট লেখক-গৱেষক ডঃ ৰুমী নাথলৈ দ্বিজেন নাথ গৱেষণা গ্ৰন্থ বঁটা

**ই-সংবাদ, বইটামাৰী, ৩ ডিচেম্বৰঃ** ২০২৪ বৰ্ষৰ বাবে দ্বিজেন নাথ গৱেষণা গ্ৰন্থ বঁটা ঘোষণা কৰা হৈছে। বিশিষ্ট লেখক-গৱেষক ডঃ ৰুমী নাথ তেওঁৰ 'অসমীয়া মানঃ মানৰ দেশৰ পৰা অসম দেশলৈ' শীৰ্ষক গৱেষণামূলক গ্ৰন্থখনৰ বাবে এই বঁটাৰ বাবে বিবেচিত হৈছে। গোৱালপাৰা জিলাৰ দুধনৈৰ বাসিন্দা ডঃ ৰুমী নাথে ইতিমধ্যে লোক-সংস্কৃতি বিষয়ক ভালেখিনি গৱেষণামূলক কাম কৰিছে আৰু লোক-সাহিত্য, সংস্কৃতি বিষয়ক গৱেষণামূলক গ্ৰন্থ তথা লেখনিৰে অসমীয়া সাহিত্যৰ ভঁড়াল চহকী কৰিছে। তেওঁ লোক-সংস্কৃতিৰ ওপৰত গৱেষণা কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম ফিল আৰু সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। এইগৰাকী গৱেষক ২০২৪ বৰ্ষৰ 'দ্বিজেন নাথ গৱেষণা গ্ৰন্থ' বঁটাৰ বাবে বিবেচিত হৈছে। উল্লেখ্য যে, গোৱালপৰীয়া লোক-সংস্কৃতিৰ গৱেষক-পণ্ডিত, বিশিষ্ট শিক্ষাবিদ-সাহিত্যিক বঙাইগাঁও জিলাৰ নৰ্থ বইটামাৰী অঞ্চলৰ প্ৰয়াত দ্বিজেন নাথৰ সোঁৱৰণত তেখেতৰ পৰিয়ালে বিগত বছৰৰ পৰা এই বঁটা প্ৰদান কৰি আহিছে। এই বঁটাত থাকিব নগদ ৩৫,০০০ টকা, স্মাৰক, মানপত্ৰ, অংগবস্ত্ৰ আৰু সাহিত্যিক দ্বিজেন নাথৰ 'গোৱালপৰীয়া লোক-সংস্কৃতিৰ মৌকোঁহ' নামৰ বিশেষ ৰচনাৱলীখন। অহা ২৫ ডিচেম্বৰত সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠান 'স্পন্দন- শব্দৰ পৰা হৃদয়লৈ'ৰ উদ্যোগত গুৱাহাটীৰ কটন মহাবিদ্যালয়ৰ এলমনাই ভৱনত অনুষ্ঠিত হ'বলগীয়া এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত তেওঁক উক্ত বঁটা প্ৰদান কৰা হ'ব।



গোৱালপাৰাত ৰাইজৰ দলৰ জিলা কাৰ্যালয় মুকলি কৰি ভাষণৰত অৱস্থাত অখিল গগৈ, ফটো মঙলবাৰৰ

## লাহৰীঘাট সমজিলা আয়ুক্তলৈ আমছুৰ স্মাৰক পত্ৰ

# লাহৰীঘাটত অবৈধ বেদখলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী আমছুৰ

ই-সংবাদ, লাহৰীঘাট, ৩ ডিচেম্বৰঃ সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ মৰিগাঁও জিলা সমিতিৰ অন্তৰ্গত লাহৰীঘাট আঞ্চলিক সমিতিয়ে লাহৰীঘাট সমজিলা আয়ুক্তক আজি কেইবাটাও দাবী সম্বলিত এখনি স্মাৰক পত্ৰ প্ৰদান কৰে। লাহৰীঘাট বজাৰত অবৈধ বেদখলকাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ দাবী উত্থাপন কৰি এই স্মাৰক পত্ৰ প্ৰদান কৰে আমছুৱে। উল্লেখ্য যে, লাহৰীঘাট বজাৰৰ গড়কাপ্টানী পথৰ দুয়োকাষে একাংশ লোকে অবৈধভাৱে দখল কৰি দোকান দিয়াৰ ফলত যান-জঁটৰ সৃষ্টি হোৱাত যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগিব লগা হৈছে সৰ্বসাধাৰণ ৰাইজৰ লগতে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে। অবৈধ বেদখলকাৰীসকলক অতিশীঘ্ৰে উচ্ছেদৰ লগতে ই-ৰিক্সাসমূহৰ অতপালি নিয়ন্ত্ৰণলৈ আনিবলৈ দাবী উত্থাপন কৰি আজি সমজিলা আয়ুক্তক এখন স্মাৰক পত্ৰ প্ৰদান কৰে আমছুৱে।উল্লেখ্য যে কেইবছৰমান আগতে বজাৰখনত বহুতো চৰকাৰী মুকলি মাটি আছিল যদিও একাংশ লোকে জধেমধে উক্ত ভূমি বেদখল কৰি পকী ঘৰ বনোৱাৰ ফলত এতিয়া ব্যৱসায়ীৰ বাবে ঠাইৰ অভাৱ ঘটিছে। এনেদৰে বেদখল কৰাৰ ফলত বজাৰত বস্তু বিক্ৰী কৰিবলৈ অহা সাধাৰণ খেতিয়কসকলে পথৰ ওপৰতে নিজৰ উৎপাদিত বস্তু বিক্ৰী কৰিব লগীয়া হোৱাত সমস্যাৰ সন্মুখীন হৈছে। বজাৰৰ চৰকাৰী ভূমি বেদখলৰ ফলত লাহৰীঘাট দ্বি-সাপ্তাহিক বজাৰৰ দিনাখন বিভিন্ন অঞ্চলৰ পৰা বিক্ৰীৰ বাবে অনা বিভিন্ন সামগ্ৰী ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত ৰাইজ আৰু ব্যৱসায়ীৰ উভয়ে অসুবিধা হোৱা অভিযোগ উঠিছে। আনহাতে, লাহৰীঘাট বজাৰত চৰকাৰে ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ সুবিধাৰ্থে নিৰ্মাণ কৰা ৰাজহুৱা বজাৰ গৃহ ব্যক্তিগত মালিকক ভাড়াত দিয়াক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বজাৰ গৃহসমূহৰ পৰা তিনিটা ৰাজহুৱা বজাৰ গৃহ বজাৰ কমিটীয়ে অবৈধভাৱে ব্যক্তিগত মালিকক ভাড়াত দিছে। উত্থাপিত অভিযোগ মতে, বজাৰ কমিটীয়ে মাহিলী মোটা অংকৰ ধনৰ বিনিয়মত চৰকাৰী ৰাজহুৱা বজাৰগৃহ ব্যক্তিগত মালিকক ভাড়াত দিয়ে। ফলত ক্ষুদ্ৰ ব্যৱসায়ীসকলে ঠাইৰ অভাৱত বজাৰৰ পথতে দোকান দিবলগীয়া হয়। সেয়েহে বজাৰখন বেদখল মুক্ত কৰা, অবৈধভাৱে ৰাজহুৱা বজাৰগৃহ ব্যক্তিগত মালিকক ভাড়াত দিয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাইজে সংশ্লিষ্ট কৰ্তৃপক্ষক দাবীক জনাইছে।

# এইমছত থলুৱা যুৱক-যুৱতীক নিযুক্তিৰ দাবীত জিলা আয়ুক্তক স্মাৰক পত্ৰ আছুৰ

**ই-সংবাদ, হাজো, ৩ ডিচেম্বৰঃ** বৃহত্তৰ কামৰূপ জিলাৰ অন্তৰ্গত এইমছকে ধৰি বিভিন্ন উদ্যোগ প্ৰতিষ্ঠানত এশ শতাংশ থলুৱা যুৱক-যুৱতীক নিযুক্তিৰ দাবী উত্থাপন কৰিছে কামৰূপ জিলা ছাত্ৰ সন্থাই। আজি কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি আৰু সাধাৰণ সম্পাদকৰ নেতৃত্বত আছুৰ এটি সঁজাতি দলে কামৰূপ জিলা আয়ুক্তক সাক্ষাৎ কৰি কামৰূপ জিলাৰ অন্তৰ্গত এইমছকে ধৰি বিভিন্ন উদ্যোগ-প্ৰতিষ্ঠানত এশ শতাংশ থলুৱা যুৱক-যুৱতীক নিযুক্তি প্ৰদান কৰা আৰু অনা অসমীয়া ব্যৱসায়ীয়ে নীতি-বহিৰ্ভূতভাৱে অধিগ্ৰহণ কৰি থকা ভূমি দখল মুক্ত কৰা আৰু শ্ৰম নীতিৰ আধাৰত শ্ৰমিক-কৰ্মচাৰীসকলক প্ৰাপ্য মজুৰি প্ৰদান কৰি নিৰ্দিষ্ট সময়তকৈ অধিক সময় কামত নিয়োগ কৰি ৰখা বন্ধ কৰাৰ দাবীত এখন স্মাৰক পত্ৰ প্ৰদান কৰে। কামৰূপ জিলাৰ উদ্যোগ-প্ৰতিষ্ঠানসমূহত বহিৰাগতৰ দপদপনি বন্ধ কৰি থলুৱা যুৱক-যুৱতীক নিযুক্তি প্ৰদান কৰাত জিলা প্ৰশাসন সম্পূৰ্ণভাৱে ব্যৰ্থ হৈছে বুলি মন্তব্য কৰি এচাম বহিৰাগত বণিয়াই নীতি-বহিৰ্ভূতভাৱে জিলাখনৰ বহুতো ভূমি অধিগ্ৰহণ কৰি থকাৰ পিছতো দখল মুক্ত নকৰি মৌন হৈ থকাটো এক ৰহস্যপূৰ্ণ বিষয় বুলি মন্তব্য কৰে আছুৰ দলটোৱে। আনহাতে, চৰকাৰ আৰু প্ৰশাসনক তীব্ৰ সমালোচনা কৰি কয় যে অসমৰ লগতে কামৰূপ জিলাত ভয়াৱহভাৱে নিবনুৱাৰ সংখ্যা বৃদ্ধি হোৱাৰ পিছতো চৰকাৰে কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰাৰ বিপৰীতে কামৰূপ জিলাৰ বেছিভাগ উদ্যোগ-প্ৰতিষ্ঠানত থলুৱা যুৱক-যুৱতীক নিযুক্তি প্ৰদান নকৰি বহিৰাগত এচাম যুৱক-যুৱতীক নিযুক্তি প্ৰদান কৰাত উঠি পৰি লাগিছে চৰকাৰ আৰু জিলা প্ৰশাসন। অনতিপলমে যদি উদ্যোগ-প্ৰতিষ্ঠানসমূহত এশ শতাংশ থলুৱা যুৱক-যুৱতীৰ নিযুক্তি প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ নকৰে তেন্তে চৰকাৰ আৰু প্ৰশাসনৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদৰ হুংকাৰ প্ৰদান কৰে ছাত্ৰ সন্থাৰ দলটোৱে।

# চৰাইদেউত 'স্বাস্থ্য সেৱা উৎসৱ-৩' আৰম্ভ

**ই-সংবাদ, সোণাৰি, ৩ ডিচেম্বৰঃ** সমগ্ৰ ৰাজ্যৰ লগতে চৰাইদেউ জিলাতো জিলাখনৰ সৰ্বমুঠ ৩৮খন চিকিৎসা প্ৰতিষ্ঠান সামৰি আজিৰে পৰা তিনিদিনীয়াকৈ আৰম্ভ হৈছে 'স্বাস্থ্য সেৱা উৎসৱ-৩'। ৰাজ্যৰ স্বাস্থ্য সেৱা খণ্ডৰ ব্যৱধানসমূহ চিনাক্ত কৰি স্বাস্থ্য সেৱা ব্যৱস্থাক ফলপ্ৰসু আৰু কাৰ্যক্ষম কৰি ৰাষ্ট্ৰীয় জনস্বাস্থ্য মান(আই পি এইচ এছ), ২০২২ লৈ উন্নীত কৰাৰ অংশস্বৰূপে ৰাজ্য চৰকাৰে এই অভিলাষী পদক্ষেপ গ্ৰহণ কৰিছে। আজি আৰম্ভণিৰ দিনটোৰ কাৰ্যসূচীত সোণাৰি জিলা চিকিৎসালয়ত উপস্থিত থাকে জিলা আয়ুক্ত ডাঃ নেহা যাদৱ। ইতিমধ্যে আন্তঃ মূল্যায়ন সম্পন্ন হোৱা জিলাখনৰ উক্ত চিকিৎসা প্ৰতিষ্ঠানে গুণগত মানৰ যে সেৱা আগবঢ়াই আহিছে তাক প্ৰতিফলিত কৰিব বুলি মন্তব্য প্ৰকাশ কৰে। এখন মহকুমা অসামৰিক চিকিৎসালয়, দুখন সামূহিক স্বাস্থ্য কেন্দ্ৰ, ৪ খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, এখন আয়ুষ্মান আৰোগ্য মন্দিৰ আৰু ৪ খন পিপিপি চাহ বাগিচা চিকিৎসালয় সামৰি আজি সৰ্বমুঠ ১২ খন চিকিৎসালয়ৰ মূল্যায়ন সম্পন্ন হয়। মূলতঃ আন্তঃগাঁথনি, মানৱ সম্পদৰ স্থিতি, ঔষধ মজুতকৰণ ব্যৱস্থা, স্বচ্ছতা, পেলনীয় সামগ্ৰী নিষ্কাষণ ব্যৱস্থা ইত্যাদি সৰ্বমুঠ ৬৭৮ টা নিৰ্ধাৰিত সূচাংকৰ আধাৰত এই মূল্যায়ন প্ৰক্ৰিয়া হ'ব। আজি জিলাখনৰ বিভিন্ন বিভাগৰ বিষয়াসকল আৰু যোৰহাট মেডিকেল কলেজৰ পৰা অহা চিকিৎসকে বহিঃ মূল্যায়ন কৰে। আনহাতে, ৯ গৰাকী বাহ্যিক মূল্যায়ক উপস্থিত থাকে।

# বালিসত্ৰ উঃ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মতিবুৰ ৰহমানৰ বিত্তীয় ভয়ংকৰ কেলেংকাৰী

**ই-সংবাদ, বেবেজীয়া, ৩ ডিচেম্বৰঃ** নগাঁও জিলাৰ ডুমডুমীয়া বালিসত্ৰ উচ্চতৰ মাধ্যমিক বি অধ্যক্ষ পৰাগ দেৱনাথলৈ ব্যৱস্থা গ্ৰহণৰ বাবে জৰুৰী পত্ৰ প্ৰেৰণ কৰিছে। তদুপৰি Memo No.দ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মতিবুৰ ৰহমানৰ বিত্তীয় কেলেংকাৰিৰ নতুন তথ্যই ডুমডুমীয়া-বালিসত্ৰ অঞ্চলবাসীক পুনৰ লজ্জিত কৰি তুলিছে। দুৰ্নীতিৰ বাবে পেন্সন পাবলৈ সমৰ্থ নোহোৱা প্ৰাক্তন অধ্যক্ষগৰাকীৰ কাৰ্যকালৰ বিভিন্ন চৰকাৰী পুঁজিৰ অডিট কৰিবৰ বাবে নগাঁও জিলা আয়ুক্ত কাৰ্যালয়ৰ Memo No. IS/NDC/AAP/A/DCN/2023/39, dtd-01-07-2024 মতে নগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকে Memo No. IS/NDC/ AAP/SUS/2024/2356-A, dtd-19-08-2024 ৰ জৰিয়তে বিদ্যালয়খনৰ বৰ্তমানৰ ভাৰপ্ৰাপ্ত IS/NDC/AAP/A/ DCN/2023/2357-A, dtd- 19-08-2024 ৰ দ্বাৰা বিদ্যালয় পৰিদৰ্শকে আন এক নিৰ্দেশত মধ্যাহ্ন ভোজনৰ কেলেংকাৰিৰ বাবদ প্ৰাক্তন অধ্যক্ষগৰাকীয়ে ১,৪৮,৮৮৬ টকা তাৎক্ষণিকভাৱে নগাঁও কোষাগাৰত জমা দিয়াৰ ব্যৱস্থা কৰিবলৈ বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষলৈ জৰুৰী পত্ৰ প্ৰেৰণ কৰিছে। কিন্তু নগাঁও জিলাৰ আয়ুক্ত আৰু নগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ নিৰ্দেশ সংক্ৰান্তত প্ৰাক্তন অধ্যক্ষগৰাকীয়ে ৰহস্যজনকভাৱে মৌনতাহে অৱলম্বন কৰি আছে। সেয়ে মধ্যাহ্ন ভোজন আৰু বিদ্যালয়লৈ যোগান ধৰা চৰকাৰী পুঁজিসমূহৰ বিত্তীয় কেলেংকাৰিৰ পৰা যাতে প্ৰাক্তন অধ্যক্ষজন সাৰি যাব নোৱাৰে তাৰ বাবে নগাঁও জিলাৰ আয়ুক্তৰ দ্বাৰা পুনৰ জৰুৰী বিহিত ব্যৱস্থা গ্ৰহণৰ অনুৰোধ জনাইছে সচেতন মহলে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।


# নগাঁৱৰ আদৰ্শ প্ৰধান শিক্ষয়িত্ৰী অঞ্জুৰাণী দেৱীলৈ 'ভাষা গৌৰৱ এৱাৰ্ড'

ই-সংবাদ, বেবেজীয়া, ৩ ডিচেম্বৰঃ নগাঁও জিলাৰ বেবেজীয়া নিবাসী তথা জলময় গাঁও চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী অঞ্জুৰাণী দেৱীলৈ এইবেলি আগবঢ়োৱা হৈছে 'ভাষা গৌৰৱ এৱাৰ্ড-২০২৪' সন্মান। সুদীৰ্ঘ কাল ধৰি পবিত্ৰ শিক্ষাবৃত্তিত একাত্মভাৱে জড়িত থাকি সমাজলৈ আগবঢ়োৱা উল্লেখনীয় অৱদানৰ স্বীকৃতি স্বৰূপে নগাঁৱৰ আদৰ্শৱান প্ৰধান শিক্ষয়িত্ৰী অঞ্জুৰাণী দেৱীলৈ অসম বিকাশ সংঘই আগবঢ়াইছে এই সন্মান। অসম সাহিত্য সভাৰ মুখ্য কাৰ্যালয় গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ নেহা আগৰৱালা সোঁৱৰণী সভাকক্ষত স্বেচ্ছাসেৱী সংস্থা ডিভাইনহেণ্ড ৰেলফেৰাৰ অৰ্গেনাইজেচনৰ উদ্যোগত সোমবাৰে আয়োজিত অসম দিৱসৰ কাৰ্যসূচীত আনুষ্ঠানিকভাৱে এই বঁটা প্ৰদান কৰা হয়। অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি মৃণালিনী দেৱী, বিশিষ্ট সমাজসেৱক পদ্মধৰ নেওগ, সাহিত্যিক ডেইজী ৰাণী দেৱী, সবিতা দেৱী, গৱেষক পণ্ডিত ড০ বিমল কৃষ্ণ ভট্টাচাৰ্য, ধেমাজি জিলা সাহিত্য সভাৰ সভাপতি বিনোদ কুমাৰ গগৈকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতিত এৱাৰ্ড গ্ৰহণ কৰি অঞ্জুৰাণী দেৱীয়ে পৰম সন্তুষ্টি লভাৰ কথা ব্যক্তি কৰি এনে সন্মানে সমাজৰ হকে সেৱা আগবঢ়োৱাত প্ৰেৰণা যোগায় বুলি মন্তব্য কৰে। উল্লেখ্য যে, ইতিমধ্যে জিলা আৰু ৰাজ্যিক কৃতী শিক্ষকৰ বঁটাৰে সন্মানিত হোৱা অঞ্জুৰাণী দেৱী প্ৰধান শিক্ষকৰ দায়িত্বত থকা জলময় গাঁও চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ে বিগত চাৰিটা বছৰে একেৰাহে ৰাজ্যৰ শিক্ষা বিভাগে অনুষ্ঠিত কৰা গুণোৎসৱত 'এ-প্লাছ' গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈছে। নিজৰ কৰ্মৰত শিক্ষানুষ্ঠানৰ লগতে স্থানীয় অঞ্চলত সুন্দৰ শৈক্ষিক পৰিৱেশ গঢ়ি তোলাত অৰিহনা যোগাই অহা অঞ্জুৰাণী দেৱীৰ এই বঁটা লাভ কৰাৰ খবৰে এতিয়া বেবেজীয়াবাসীৰ লগতে কৰ্মৰত শিক্ষানুষ্ঠানখনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলক উৎফুল্লিত কৰি তুলিছে।




শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত দিব্যাংগ দিৱসত মন্ত্ৰী পীযুষ হাজৰিকা

# পানেৰীত আজৱ ঘটনা! এটা হাঁহে পাৰিলে তিনিটাকৈ ক'লা কণী

**ই-সংবাদ, ডিমাকুছি, ৩ ডিচেম্বৰঃ** কিমাশ্চাৰ্যম! ওদালগুৰি জিলাৰ টংলাৰ পানেৰীৰ ৰাইজৰ মাজত কৌতুহলৰ সৃষ্টি কৰিছে কণীয়ে। এটা হাঁহৰ কণীয়ে ৰাইজৰ মাজত সৃষ্টি কৰিছে এই কৌতুহলৰ। সাধাৰণতে কণী বগা বুলি আমি সকলোৱে জানো, কিন্তু এটা হাঁহে পাৰিলে ক'লা কণী। শুনিবলৈ আচৰিত যেন লাগিলেও এয়াই সত্য। পানেৰীত তিনিটা কণী কোনো শিল্পীৰ হাতৰ পৰশত প্ৰাণ পাই উঠা শিল্পকৰ্ম নহয় এয়া। নহয় চীনে পঠোৱা কোনো প্লাষ্টিকৰ কণী অথবা ব্ৰয়লাৰ কণী। শুনিবলৈ আচৰিত লাগিলেও এটা আজৱ ঘটনা। ক'লা কণীক লৈ কৌতুহলৰ সৃষ্টি হৈছে পানেৰীৰ অঞ্চলটোত। পানেৰীৰ হেমন্ত কলিতা আৰু হিতুমণি কলিতাৰ বাসগৃহত এটা পাতিহাঁহে পাৰিছে ক'লা কণী। এটা দুটা নহয় তিনিটাকৈ ক'লা কণী পাৰিছে হাঁহজনীয়ে। কেইবাদিনো ধৰি ক'লা কণী চাবলৈ ঘৰখনলৈ ঢাপলি মেলিছে বহুলোকে। ওদালগুৰি জিলাৰ টংলাৰ পানেৰীৰ ঘটনা এয়া। কোনোদিনে নোহোৱা নোপোজা ঘটনাক উৎকণ্ঠিত হৈ পৰিছে অঞ্চলটোৰ ৰাইজ।

# নাজিৰাৰ এগৰাকী প্ৰধান শিক্ষয়িত্ৰীৰ মহানুভৱতা

ই-সংবাদ, গেলেকী, ৩ ডিচেম্বৰঃ নাজিৰাৰ শিক্ষা খণ্ডৰ অন্তৰ্গত ১৪৪ নং ন-পাম বাৰুৱতী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী দিপালী হাতিমুৰীয়া আৰু পৰিয়ালবৰ্গই দেখুৱাইছে মহানুভৱতা। শীতৰ প্ৰকোপৰ পৰা ৰক্ষা পাবলৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিতৰণ কৰিলে গৰম বস্ত্ৰ। উল্লেখ্য যে ন-পাম বাৰুৱতী গাঁৱত অৱস্থিত এই প্ৰাথমিক বিদ্যালয়খনত বহু দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰে। চৰকাৰী বিদ্যালয় হিচাপে চৰকাৰৰ ফালৰ পৰা সমসাজৰ ব্যৱস্থা গ্ৰহণ কৰিছে যদিও শীত নিবাৰণৰ বাবে কোনো বস্ত্ৰ চৰকাৰীভাৱে প্ৰদান কৰা হোৱা নাই ছাত্ৰ-ছাত্ৰীৰ মাজত। যিহেতু বৰ্তমান শীতৰ প্ৰকোপ ৰাজ্যখনত বৃদ্ধি পাইছে সেই বিষয়ৰ প্ৰতি লক্ষ্য ৰাখি বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী আৰু পৰিয়ালবৰ্গই মিলি ছাত্ৰ-ছাত্ৰীসকলে শীতৰ পৰা সকাহ পাবৰ বাবে এই গৰম বস্ত্ৰৰ ব্যৱস্থা কৰি দিয়া বুলি জানিবলৈ দিয়ে। ইয়াৰ লগতে বিদ্যালয়খনৰ আন সহকাৰী শিক্ষকে কিছু অৰ্থ ব্যয় কৰি ছাত্ৰ-ছাত্ৰীক পৰিচয় পত্ৰ ব্যৱস্থা কৰি দিছে। বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে প্ৰধান শিক্ষয়িত্ৰী দিপালী হাতিমুৰীয়া আৰু তেওঁৰ পৰিয়ালবৰ্গৰ এই পদক্ষেপক প্ৰশংসা কৰিছে অভিভাৱকৰ লগতে স্থানীয় সচেতন মহলে।

# বিধান গগৈলৈ নেবকছৰ প্ৰতিষ্ঠিত নৃত্য পৰিচালকৰ সন্মান

ই-সংবাদ, গেলেকী, ৩ ডিচেম্বৰঃ সাংস্কৃতিক নগৰী তেজপুৰৰ গহণ উদ্যানত বৰ্ণাঢ্য কাৰ্যসূচীৰে উত্তৰ পূবৰ অগ্ৰণী সামাজিক অনুষ্ঠান নেবকাছৰ উদ্যোগত আয়োজিত ৰাষ্ট্ৰীয় বঁটা প্ৰদান অনুষ্ঠানত নৃত্যৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে শিৱসাগৰ জিলাৰ নামতিৰ নৃত্য প্ৰশিক্ষক বিধান গগৈক নেবকছৰ প্ৰতিষ্ঠিত নৃত্য পৰিচালকৰ ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰা হয়। উল্লেখ্য বিধান গগৈয়ে দীৰ্ঘসময় ধৰি বিভিন্ন বিদ্যালয়ত নৃত্যৰ প্ৰশিক্ষণ দিয়াৰ লগতে বিভিন্ন ঠাইত শিশুসকলক নাটক শিকাই পৰিৱেশন কৰোৱাইছে। তেওঁৰ ওচৰত শিক্ষাগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলে নৃত্যৰ জৰিয়তে প্ৰতিষ্ঠিত হৈছে। শিশুপ্ৰিয় বিধান গগৈয়ে ছাত্ৰ-ছাত্ৰীসকলক নৃত্য, অভিনয় আদি দিশত আগবঢ়াই নিয়াটোকে জীৱনৰ উদ্দেশ্য হিচাপে গ্ৰহণ কৰিছে বুলি এই প্ৰতিবেদকক জানিবলৈ দিয়ে। নাজিৰাৰ খংগীয়া গাঁও নিবাসী এইজন নৃত্য প্ৰশিক্ষকে নৃত্যৰ উপৰি বিভিন্ন ঠাইত ভাওনাত সুন্দৰ অভিনয় কৰিও দৰ্শকৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে। শিৱসাগৰ জিলাৰ এক অন্যতম সাংস্কৃতিক অনুষ্ঠান ৰংপুৰ কলা কৃষ্টি কেন্দ্ৰৰ প্ৰতিষ্ঠাপক সম্পাদক বিধান গগৈয়ে ৰাষ্ট্ৰীয় সন্মান লাভ কৰাৰ বাবে স্থানীয় ৰাইজ তথা বিভিন্ন দল-সংগঠন আৰু শিক্ষানুষ্ঠানসমূহে তেওঁক অভিনন্দন জ্ঞাপন কৰিছে।

# বিশিষ্ট চিত্ৰ শিল্পী ধৰণীধৰ দাস, সাহিত্যিক দিলীপ কুমাৰ বৰুৱালৈ নতুন সাহিত্য পৰিষদৰ বঁটা

**ই-সংবাদ, চতিয়া, ৩ ডিচেম্বৰঃ** নতুন সাহিত্য পৰিষদৰ অবিভক্ত শোণিতপুৰ জিলা সমিতিয়ে ২০২৩ বৰ্ষৰ পৰা সাহিত্য সংস্কৃতি, ক্ৰীড়া, চিত্ৰশিল্প, নাটক, চলচ্চিত্ৰ, চিকিৎসা, বিজ্ঞান আদি বিষয়ত গৌৰৱ কঢ়িয়াই অনা ব্যক্তি-সংগঠনলৈ শোণিতপুৰ গৌৰৱ আৰু ৰূপান্তৰ সেনানী শীৰ্ষক দুটাকৈ বঁটা প্ৰদান কৰি আহিছে। নতুন সাহিত্য পৰিষদৰ অবিভক্ত শোণিতপুৰ জিলা সমিতিৰ সভাপতি জ্ঞানেন্দ্ৰ সৰকাৰ আৰু সম্পাদক মৃণাল গোস্বামীয়ে চতিয়া ইষ্টাৰ্ন্তিক ক্লাবৰ সভাকক্ষত সোমবাৰে অনুষ্ঠিত হোৱা এক সংবাদমেল সম্বোধন কৰি ২০২৪ বৰ্ষৰ বাবে শোণিতপুৰ গৌৰৱ বঁটাৰ বাবে বিশিষ্ট চিত্ৰশিল্পী তথা অৱসৰপ্ৰাপ্ত শিক্ষক জামুগুৰি হাটৰ ধৰণীধৰ দাস আৰু ৰূপান্তৰ সেনানী বঁটাৰ বাবে বিশিষ্ট সাহিত্যিক দিলীপ কুমাৰ বৰুৱাৰ নাম ঘোষণা কৰিছে। শোণিতপুৰ গৌৰৱ বঁটা প্ৰাপ্তক ধৰণীধৰ দাসে সৰ্বভাৰতীয় সংগীত আৰু সংস্কৃতি পৰিষদ কলকাতাৰ পৰা চিত্ৰকলা বিষয়ত স্নাতক সন্মান অৰ্জন কৰিছিল। শোণিতপুৰ জিলাৰ জামুগুৰি হাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰা চিত্ৰশিল্পী ধৰণীধৰ দাস জামুগুৰিহাটৰ অভিযাত্ৰী চিত্ৰকলাৰ বিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰে পৰা আজিলৈকে অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰি আহিছে। ইয়াৰ উপৰি বহু পুথিৰ বেটুপাত প্ৰস্তুত কৰিছে ধৰণীধৰ দাসে। ৰূপান্তৰ সেনানী বঁটা লাভ কৰা বিশ্বনাথ জিলাৰ বিহালীৰ থান বিহালি গাঁৱৰ দিলীপ কুমাৰ বৰুৱাই এসময়ত অসমৰ কেইবাখনো বাতৰি কাকতত সাংবাদিকতা কৰাৰ উপৰি কুৰিৰো অধিক গ্ৰন্থ প্ৰকাশ কৰিছে, বিশেষকৈ শিশু সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰিছে দিলীপ কুমাৰ বৰুৱাই। এই দুই বিশিষ্ট ব্যক্তিক ২৫ ডিচেম্বৰত বিশ্বনাথ জিলাৰ বিহালীৰ নাচবৰৰ ৰাজহুৱা ভৱনত অনুষ্ঠিত হ'ব লগা নতুন সাহিত্য পৰিষদৰ অবিভক্ত শোণিতপুৰ জিলা সমিতিৰ সন্মিলনত ৰাজহুৱাভাৱে এই বঁটা প্ৰদান কৰা হ'ব বুলি নতুন সাহিত্য পৰিষদৰ সভাপতি জ্ঞানেন্দ্ৰ সৰকাৰ আৰু সম্পাদক মৃণাল গোস্বামীয়ে প্ৰকাশ কৰিছে।

# নগাঁৱত বিশ্ব প্ৰতিবন্ধী দিৱস উদযাপন

**ই-সংবাদ, পুৰণিগুদাম, ৩ ডিচেম্বৰঃ** দিব্যাংগ ব্যক্তিসকল সমাজৰ একোগৰাকী বিশেষভাৱে সক্ষম ব্যক্তি। শাৰীৰিকভাৱে বাধাগ্ৰস্ত এনে লোকসকলক সমাজৰ আন আন ব্যক্তিসকলৰ সমানে আগবঢ়াই নিবলৈ আজি বিশ্ব প্ৰতিবন্ধী দিৱসৰ সৈতে সংগতি ৰাখি শ্ৰীমন্ত শঙ্কৰ মিচনৰ সৌজন্যত ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু স-শক্তি মন্ত্ৰালয়ৰ সাহাৰ্য্যত পৰিচালনা কৰা জিলা প্ৰতিবন্ধী পুনৰ সংস্থাপন কেন্দ্ৰৰ উদ্যোগত আৰু নগাঁও জিলা প্ৰশাসন, জিলা আইন সেৱা প্ৰাধিকৰণ বিভাগ, নগাঁও, জিলা সমাজ কল্যাণ বিভাগ, ৰাষ্ট্ৰীয় যুৱ বঁটা বিজয়ী সদৌ অসম গ্ৰাম্য পুথিভঁড়াল সন্থা, নগাঁও আৰু জিলা বিকলাংগ সন্থাৰ সহযোগত জিলাখনৰ পানীগাঁও চাৰিআলি স্থিত শ্ৰীমন্ত শঙ্কৰ মিচনৰ মূখ্য কাৰ্যালয়ৰ, লোকসেৱক হলধৰ ভুঞা সভাগৃহত এখন সজাগতা সভা অনুষ্ঠিত হয়।সঠিক প্ৰশিক্ষণ, সঠিক সুযোগ আৰু সঠিক প্ৰচেষ্টাৰ সহায়ত প্ৰতিবন্ধী লোকসকলৰ বহু ধৰণৰ অক্ষমতাক সক্ষমতালৈ ৰূপান্তৰ কৰি তেওঁলোকক কেৱল স্বাৱলম্বী কৰাই নহয়, তেওঁলোকে সমাজত সমজীৱন যাপন কৰিব পৰাকৈ এক পৰিৱেশ গঢ়ি তুলিব পৰা যায়। এনে এক দৃষ্টিভংগীৰেই শাৰীৰিকভাৱে অক্ষম লোকসকলক দেশৰ মূলসুঁতিলৈ অনাৰ লক্ষ্যৰে প্ৰতিবছৰে আন্তঃৰাষ্ট্ৰীয়ভাৱে বিশ্ব প্ৰতিবন্ধী দিৱস পালন কৰা হয়। ইয়াৰ উদ্দেশ্য হ'ল, প্ৰতিবন্ধীসকলক লৈ সমাজত প্ৰচলিত পক্ষপাতিত্ব আৰু বৈষম্য দূৰ কৰা, তেওঁলোকৰ সৈতে জড়িত বিষয়সমূহৰ প্ৰতি মানুহক সজাগ কৰা আৰু বিশেষভাৱে সক্ষম লোকসকলক সমাজত সমতাৰ স্তৰলৈ অনা, অৰ্থনৈতিক আৰু সামাজিকভাৱে তেওঁলোকক শক্তিশালী কৰা। বিশ্ব প্ৰতিবন্ধী দিৱসে এনে এক সুযোগ যিয়ে বিভিন্ন সম্প্ৰদায়ক প্ৰতিবন্ধীসকলৰ সন্দৰ্ভত সমাজত প্ৰচলিত পক্ষপাতিত্ব আৰু বৈষম্য দূৰ কৰাৰ বাবে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰচেষ্টা চলাবলৈ এক মঞ্চ প্ৰদান কৰে যাতে প্ৰতিবন্ধীসকলৰ অধিকাৰ সুৰক্ষিত হয় আৰু তেওঁলোকৰ বাবে এক বাধামুক্ত সমাজ স্থাপন কৰিব পাৰি।আজিৰ এই সভাত জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ, জিলা উন্নয়ন আয়ুক্ত গুণজিৎ কাশ্যপ, নগাঁও জিলা ন্যায় সেৱা প্ৰাধিকৰণৰ সচিব মুনমী নেওগ, জিলা সমাজ কল্যাণ বিষয়া ভোলানাথ পেগু, শ্ৰীমন্ত শঙ্কৰ মিচনৰ সভাপতি প্ৰেমেশ্বৰ দাস প্ৰমুখ্যে শ্ৰীমন্ত শঙ্কৰ মিচনৰ বিষয়া-কৰ্মচাৰী আৰু শ্ৰীমন্ত শঙ্কৰ মিচন অন্ধ বিদ্যালয় ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। উল্লেখযোগ্য যে, উক্ত সভাত জিলা আয়ুক্তগৰাকীয়ে এগৰাকী বিশেষভাৱে সক্ষম যুৱতীক এখন হুইল চেয়াৰ প্ৰদান কৰে।

# আশাজ্যোতিৰ বিশ্ব প্ৰতিবন্ধী দিৱস উদযাপন

**ই-সংবাদ, দুমুনিচকী, ৩ ডিচেম্বৰঃ** ৰাষ্ট্ৰসংঘৰ তত্বাৱধানত ১৯৯২ চনৰপৰা সমগ্ৰ বিশ্বতে বিশ্ব প্ৰতিবন্ধী দিৱস পালন কৰি অহা হৈছে। এই উদ্দেশ্য সৰোগত কৰি আজি সমগ্ৰ বিশ্বৰ লগতে দৰং জিলাৰ অন্যতম দিব্যাংগ ব্যক্তিসকলৰ শিক্ষা প্ৰতিষ্ঠান 'আশাজ্যোতিৰ' উদ্যোগত তথা দৰং জিলা সমাজ কল্যাণ বিভাগ আৰু জিলা আইন সেৱা প্ৰাধিকাৰীৰ সহযোগত 'বিশ্ব প্ৰতিবন্ধী দিৱস' বাৰেৰহণীয়া কাৰ্যক্ৰমণিকাৰে উদযাপন কৰা হয়। ছিপাঝাৰৰ ঘোঁৰাবান্ধাস্থিত 'আশাজ্যোতি'ৰ কাৰ্যালয় প্ৰাংগণত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰিয়াজুদ্দিন আহমেদে বন্তি প্ৰজ্বলন কাৰ্যসূচীৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছতেই অনুষ্ঠিত হোৱা সভাখনৰ উদ্দেশ্যে ব্যাখ্যা কৰে আশাজ্যোতিৰ কাৰ্যবাহী সঞ্চালক জিয়াউৰ ৰহমানে। ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ শিক্ষক ইকবাল ৰছিদ হাজৰিকাই সভাপতিত্ব কৰা উক্ত সভাত বক্তব্য প্ৰদান কৰে এছ আৰ ডি গ্ৰুপৰ উপাসনা ডেকা, দলগাঁও ডায়েটৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মিৰণ দেৱী, জিলা সমাজ কল্যাণ বিভাগৰ বিষয়া বাবুল হাজৰিকা আৰু পিংকুজ্যেতি ডেকা, স্বেচ্ছাসেৱী সংস্থা 'সত্ৰ'ৰ সঞ্চালক ননী কুমাৰ শইকীয়া, ৰুটছ টু ব্ৰাঞ্চেছ্ ফাউণ্ডেচনৰ হেপিলিনা পাঠক, নাবাৰ্ড দৰং জিলাৰ সহকাৰী পৰিচালক গৌৰৱ কুমাৰ ভট্টাচাৰ্য, জিলা দুৰ্যোগ প্ৰশমণ প্ৰাধিকাৰীৰ জিলা আঁচনি বিষয়া জগদীশ ভট্টাচাৰ্য, ৰক্তদাতা তথা কৰুণাধাৰাৰ সদস্য শেখৰজ্যোতি মজুমদাৰ, আশাজ্যোতিৰ সভাপতি যোগেন্দ্ৰ বণিয়া, থেৰাপিষ্ট অনুপজ্যোতি শৰ্মা আদিয়ে। অনুষ্ঠানটিত দিব্যাংগ ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱক-অভিভাৱিকাসকলেও বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্যসূচীৰে পৰিৱেশ জীপাল কৰি তোলে। অনুষ্ঠানত বিভিন্ন শিতানত পাৰদৰ্শী ছাত্ৰ-ছাত্ৰীসকলক প্ৰমাণ-পত্ৰৰ লগতে বঁটা প্ৰদান কৰা হয়।

# ৰঙিয়াত আন্তৰ্জাতিক দিব্যাংগ দিৱস পালন

**ই-সংবাদ, ৰঙিয়া, ৩ ডিচেম্বৰঃ** ৰঙিয়াত আজি স্বেচ্ছাসেৱী অনুষ্ঠান দি হংস ফাউণ্ডেচনৰ উদ্যোগত আন্তৰ্জাতিক দিব্যাংগ দিৱস উপলক্ষে ৰঙিয়া মহাবিদ্যালয়ৰ সহযোগত মহাবিদ্যালয় প্ৰেক্ষাগৃহত এক মনোজ্ঞ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠানটোৰে আলোচনা চক্ৰ, সাংস্কৃতিক অনুষ্ঠান আদি অনুষ্ঠিত কৰে। আলোচনা চক্ৰত দি হংস ফাউণ্ডেচনৰ পৰামৰ্শদাতা প্ৰিয়ংকা গোস্বামী, প্ৰজেক্ট মেনেজাৰ মৌচুমী বৰা, ৰঙিয়া মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ হীতেন্দ্ৰ শৰ্মা, খণ্ড উন্নয়ন বিষয়া বিপুল ডেকা, ইলোৱা বিজ্ঞান মঞ্চৰ সভাপতি মিৰাজুল ইছলামৰ লগতে সংগীতা অধিকাৰীসহ কেবাগৰাকী সমল ব্যক্তিয়ে দিব্যাংগসকলৰ অধিকাৰসহ অন্যান্য বিষয় আলোকপাত কৰে। এই দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আয়োজিত পোষ্টাৰ আৰু শ্ল'গান প্ৰতিযোগিতাৰ বিজয়ীসকলকো বঁটাসমূহ প্ৰদান কৰা হয়। উল্লেখ্য যে, ২০০৯ চনত আৰম্ভ হোৱা এই অনুষ্ঠানটোৱে দেশৰ বিভিন্ন ৰাজ্যত দিব্যাংগসকলৰ হকে কাম কৰাৰ উপৰি ৰঙিয়াত স্বেচ্ছাসেৱী অনুষ্ঠান আশাদীপৰ সৈতে মানসিক স্বাস্থ্যৰ ওপৰত কাম কৰি আহিছে।

# মৈৰাবাৰীত অস্থায়ী স্বাস্থ্যকৰ্মীৰ ক'লাবেজ পৰিধান

**ই-সংবাদ, মৈৰাবাৰী, ৩ ডিচেম্বৰঃ** আজিৰে পৰা সদৌ অসম অস্থায়ী স্বাস্থ্য কৰ্মচাৰী সন্থাই ৰাজ্যজুৰি ৰূপায়ণ কৰিছে ক'লা দিৱস কাৰ্যসূচী। ১১ ডিচেম্বৰলৈ চলিব এই কাৰ্যসূচী। ইপিনে, ৩ ডিচেম্বৰৰ পৰা ১১ ডিচেম্বৰলৈ সমগ্ৰ ৰাজ্যৰ প্ৰতিখন চিকিৎসালয়ত আৰম্ভ হৈছে স্বাস্থ্য উৎসৱ-২০২৪। স্বাস্থ্য উৎসৱৰ দিনকেইটাত চৰকাৰী চিকিৎসালয়ত কৰ্মৰত সদৌ অসম অস্থায়ী স্বাস্থ্য কৰ্মচাৰী সন্থাই ৰাজ্যজুৰি ক'লা দিৱস উদযাপন কৰিব। সমগ্ৰ অসমৰ প্ৰতিখন চিকিৎসালয়ৰ লগতে মৰিগাঁও জিলাৰ মৈৰাবাৰী গ্ৰাম্য চিকিৎসালয়ত কৰ্মৰত অস্থায়ী চিকিৎসা কৰ্মীয়ে ক'লা বেজ পৰিধান কৰি তেওঁলোকৰ প্ৰাপ্যৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰে। সদৌ অসম অস্থায়ী কৰ্মচাৰী সন্থাৰ সভাপতি সুভন বৰুৱা আৰু সাধাৰণ সম্পাদক বাবুল দাসে জানিবলৈ দিয়ে যে ভিন্ন প্ৰান্তত থকা চৰকাৰী চিকিৎসালয় পৰিচালনা সমিতিয়ে অস্থায়ীভাৱে বিভিন্ন পদত নিযুক্তি দিয়া অস্থায়ী কৰ্মচাৰীক চৰকাৰে সামান্য মজুৰি দি বঞ্চনা কৰি আহিছে। এই অস্থায়ী কৰ্মচাৰীসকলৰ চাকৰি স্থায়ীকৰণ কৰা, ন্যূনতম মজুৰি ২০০০ টকাৰ পৰিৱৰ্তে ২০ হাজাৰলৈ বৃদ্ধি কৰা, ভ্ৰমণ বনাচ প্ৰদান কৰা, চৰকাৰী আৱাসগৃহ প্ৰদান কৰা আদি কেইবাটাও দাবীত স্বাস্থ্য উৎসৱৰ দিনকেইটাত মৈৰাবাৰী চিকিৎসালয়ত কৰ্মৰত পোন্ধৰ গৰাকীতকৈও অধিক কৰ্মচাৰীয়ে ক'লা বেজ পৰিধান কৰি এই প্ৰতিবাদ সাব্যস্ত কৰে।

## ডিব্ৰুগড় জিলা আন্তঃক্লাব এথলেটিকছ প্ৰতিযোগিতা সম্পন্ন

**ই-সংবাদ, দুলীয়াজান, ৩ ডিচেম্বৰঃ** দুলীয়াজানৰ নেহৰু ময়দানত যোৱা ৩০ নৱেম্বৰ আৰু ১ ডিচেম্বৰত ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ অন্তৰ্গত আন্তঃক্লাব এথলেটিকছ প্ৰতিযোগিতা সম্পন্ন হৈ যায়। দুলীয়াজান ক্ৰীড়া সন্থাৰ আতিথ্যত আৰু দুলীয়াজান এথলেটিকছ ক্লাবৰ সহযোগত আয়োজিত এই প্ৰতিযোগিতাত জিলাখনৰ মুঠ ১১ টা ক্লাবৰ ১৫৬ গৰাকী ল'ৰা আৰু ৭০ গৰাকী ছোৱালীয়ে বিভিন্ন ইভেন্টত অংশগ্ৰহণ কৰে । ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতি দিপু ৰঞ্জন মাক্ৰাৰীয়ে ডিব্ৰুগড় জিলা আৰু মনোজ কৰে দুলীয়াজান এথলেটিকছ ক্লাবৰ পতাকা উত্তোলন কৰি শুভাৰম্ভ কৰা এই প্ৰতিযোগিতাত প্ৰাক্তন ৰাষ্ট্ৰীয় স্পীন্টাৰ মকবুল ইছলামে অলিম্পিক শিখা প্ৰজ্বলন কৰে। দুদিনীয়াকৈ আয়োজিত এই কাৰ্যসূচীত অসম এথলেটিকছ সন্থাৰ তৰফৰ পৰা পৰ্যবেশক হিচাপে ধেমাজি জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক যতীন বুঢ়াগোঁহাই, অইল ইণ্ডিয়া লিমিটেডৰ কাৰ্যবাহী সঞ্চালক মাধুৰ্য বৰুৱা, ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ সভাপতি কামাখ্যা শইকীয়া, সাধাৰণ সম্পাদক নিৰঞ্জন শইকীয়াকে প্ৰমুখ্য কৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। টুৰ্ণামেন্টখনৰ ল'ৰাৰ শাখাত সঞ্জীৱ মিঞ্জ আৰু ছোৱালীৰ শাখাত জেছিকা বড়াই শ্ৰেষ্ঠ এথলীটৰ সন্মান লাভ কৰে । সেই অনুসৰি সঞ্জীৱ ৰাণা সোঁৰৱণী চলন্ত বঁটা ল'ৰাৰ শাখাত সঞ্জীৱ মিঞ্জ আৰু মৃদুল দুৱৰা সোঁৰৱণী চলন্ত বঁটা ছোৱালীৰ শাখাত জেছিকা বড়াক প্ৰদান কৰা হয়।

## খাৰুপেটিয়াত ক্ৰিকেট টুৰ্ণামেণ্ট

**ই-সংবাদ, খাৰুপেটীয়া, ৩ ডিচেম্বৰঃ** দৰঙৰ খাৰুপেটিয়া টাউন খেলপথাৰত অহা ৫ ডিচেম্বৰৰ পৰা খাৰুপেটিয়া ক্ৰিকেট এছ'চিয়েশ্যনৰ উদ্যোগত আকৰ্ষণীয় ক্ৰিকেট টুৰ্ণামেন্ট অসম প্ৰিমিয়াম লীগ ছিজন -৩ আৰম্ভ হ'ব। ৫ ডিচেম্বৰ পৰা আৰম্ভ হবলগীয়া এই ক্ৰিকেট টুৰ্ণামেন্টখনৰ বাবে ইতিমধ্যে অসমৰ বিভিন্ন জিলাৰ খেলুৱৈসকলে অনলাইন আবেদন পত্ৰৰ জৰিয়তে অংশ গ্ৰহণ কৰিছে। খাৰুপেটিয়া ক্ৰিকেট এছ'চিয়েশ্যনৰ বিষয়ববীয়া সকলে জানিবলৈ দিয়া মতে মুঠ আঠটাকৈ দলৰ মাজত অনুষ্ঠিত হ'ব এই প্ৰতিযোগিতা। ইতিমধ্যে খেলুৱৈসকলক অকশ্বনৰ জৰিয়তে বাছনি কৰি মূল দলত অন্তৰ্ভুক্ত কৰা প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। উল্লেখ্য যে প্ৰতিখন মেচত থাকিব ম্যান অৱ দ্যা মেচ আৰু বিজয়ী দলক প্ৰদান কৰা হ'ব ১ লাখ ২০ হাজাৰ টকাৰ প্ৰাইজমানি আৰু ট্ৰফী। ৰাণাৰ্চ আপ দলে লাভ কৰিব ট্ৰফীৰ লগতে ৭৫ হেজাৰ টকাৰ প্ৰাইজমানি।

## ৭৬ সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতা

# ষ্টাৰ স্প'ৰ্টিঙক হৰুৱাই আচুফ ফুটবল একাডেমী ছেমিত

**ই-সংবাদ ক্ৰীড়া সেৱা নগাঁও, ৩ ডিচেম্বৰঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা ৭৬ সংখ্যক সৰ্বভাৰতীয় আমন্ত্ৰণমূলক স্বাধীনতা দিৱস কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত মণিপুৰৰ এ এছ ইউ এফ (আচুফ) ফুটবল একাডেমী ছেমিফাইনেলত উপনীত হৈছে। ঐতিহ্যমণ্ডিত এই প্ৰতিযোগিতাৰ আজিৰ কোৱাৰ্টাৰ ফাইনেলত আচুফ ফুটবল একাডেমী দলটোৱে নগাঁৱৰ ষ্টাৰ স্প'ৰ্টিং ক্লাবক ২-০ গ'লত পৰাজিত কৰে। তুমুল উত্তেজনাপূৰ্ণ খেলখনৰ-৪০ মিনিটত আচুফ-।। ফুটবল একাডেমীৰহৈ মাথানমিয়ে গ'ল দি বিৰতিলৈ নিজ দলক ১-০ গ'লত আগবঢ়াই নিয়াৰ পিছত -৬৩ মিনিটত অৰুণ কুমাৰে আন এটা গ'ল স্ক'ৰেৰে নিজ দলৰ ২-০ গ'লত বিজয় নিশ্চিত কৰে। ইয়াৰে, প্ৰথমটো গ'ল সতীৰ্থ সুৰজে বিপক্ষৰ বক্সত উলিয়াই দিয়া বল অৰক্ষিত অৱস্থাত থকা মাথানমিয়ে ক্ষিপ্ৰতাৰে আয়ত্তলৈ আনি গ'ললৈ কাৰ্যকৰী কৰে। দ্বিতীয়টো গ'ল অৰুণ কুমাৰে সতীৰ্থ ৰিংচাংমিয়ে দিয়া বল দৰ্শনীয় হেডিঙৰে বিপক্ষৰ গ'লৰক্ষকক শ'লঠেকত পেলাই দিবলৈ সক্ষম হয়। মন কৰিবলগীয়া যে, আজিৰ খেলখনত পৰাজয়বৰণ কৰিলেও ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ খেলুৱৈসকলৰ লগতে বিশেষকৈ গ'লৰক্ষক ৰোহিত কুমাৰ ৰায়ে দৃষ্টিনন্দন প্ৰদৰ্শনে দৰ্শকক মুগ্ধ কৰে। প্ৰাক্তন ৰাষ্ট্ৰীয় ৰেফাৰী নাচিৰউদ্দিন আহমেদ মেচ কমিচনাৰৰূপে থকা খেলখন পৰিচালনা কৰাত ৰেফাৰী ৰূপম বৰদলৈক সহায় কৰে আব্দুল মজিদ চৌধুৰী, কৃষ্ণকান্ত দাস আৰু চাহাজাহান আলি চৌধুৰী ( চতুৰ্থ ) য়ে। আজিৰ খেলৰ আৰম্ভণিতে এছ বি আইৰ মুখ্য প্ৰবন্ধক পি পি শৰ্মা আৰু জ্যেষ্ঠ বিষয়া মিঃ ফিলিপক সম্বৰ্ধনা জনোৱাৰ লগতে খেলুৱৈসকলৰ সৈতে চিনাকি কৰি দিয়া হয়। নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাস আৰু ফুটবল শাখাৰ সম্পাদক প্ৰান্তৰ কুমাৰ ভট্টাচাৰ্যৰ লগতে আয়োজক সমিতিৰ অন্যতম বিষয়ববীয়া উজ্জল বৰুৱা, অসীম কুমাৰ ভাৰাল, দেৱজিৎ দাস, প্ৰচাৰ উপ সমিতিৰ আহ্বায়কদ্বয় মৃনাল কুমাৰ হাজৰিকা আৰু সমীৰ হাজৰিকাই জানিবলৈ দিয়ামতে, কাইলৈৰ কোৱাৰ্টাৰ ফাইনেল খেলত ডিফেণ্ডিং চেম্পিয়ন দুলীয়াজানৰ অ'ইল ইণ্ডিয়া এফ চিয়ে বঙাইগাঁৰৰ ইলেভেন ষ্টাৰ ক্লাবৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।



দুলীয়াজানত অইল সদৌ অসম টেনিছ চেম্পিয়নশ্বিপৰ উদ্বোধনী অনুষ্ঠানৰ এটি মুহূৰ্ত, মঙলবাৰে

# দুলীয়াজানত অইল সদৌ অসম টেনিছ চেম্পিয়নশ্বিপ আৰম্ভ

**ই-সংবাদ, দুলীয়াজান, ৩ ডিচেম্বৰঃ** সদৌ অসম টেনিছ সন্থাৰ তত্বাৱধানত আৰু অইল ইণ্ডিয়া লিমিটেডৰ পৃষ্ঠপোষকতাত অনুষ্ঠিত অইল সদৌ অসম জুনিয়ৰ টেনিছ চেম্পিয়নশ্বিপ ২০২৪-২৫ আজি দুলীয়াজানৰ জালনী ক্লাবৰ টেনিছ ক'ৰ্টত আজিৰেপৰা আৰম্ভ হৈছে। আজিৰ উদ্বোধনী অনুষ্ঠানত অইল ইণ্ডিয়াৰ আৱাসিক মুখ্য বিষয়া ৰূপজ্যোতি ফুকনকে প্ৰমুখ্য কৰি আয়োজক সমিতিৰ অধ্যক্ষ ভৈৰৱ ভূএগ্ৰা, কাৰ্য্যবাহী সঞ্চালক (বিত্ত আৰু লেখা) তথা মুখ্য বিত্তীয় বিষয়া ৰূপম বৰুৱা, কাৰ্যবাহী সঞ্চালক (মানৱ সম্পদ আৰু ক্ষেত্ৰীয় প্ৰশাসন) মাধুৰ্য্য বৰুৱা, সদৌ অসম টেনিছ সন্থাৰ সভাপতি অংকুশ দত্ত, আয়োজক সমিতিৰ উপ সভাপতি আৰ কে সিঙৰ লগতে অইল আৰু সদৌ অসম টেনিছ সন্থাৰ বিষয়ববীয়া আৰু অংশগ্ৰহণকাৰীসকল উপস্থিত থাকে। দুলীয়াজান কেন্দ্ৰীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বৰ্ণাঢ্য পেৰেড, দুলীয়াজান ক্লাবৰ ছাত্ৰ-ছাত্ৰীৰ ভুৰতাল নৃত্য প্ৰদৰ্শনে উদ্বোধনী অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অংশগ্ৰহণকাৰী খেলুৱৈসকলৰ সৈতে পৰিচয়ৰ পিছতে ৰূপজ্যোতি ফুকনে উপস্থিত সকলোৰে উদ্দেশ্যি ভাষণ প্ৰদান কৰে আৰু উচ্চাকাংক্ষাৰ প্ৰতীক স্বৰূপে আনুষ্ঠানিকভাৱে বেলুন উৰুৱাই প্ৰতিযোগিতাখনি মুকলি কৰে । অনুষ্ঠানৰ শলাগৰ শৰাই আগবঢ়ায় আয়োজক সম্পাদক বিশ্বজিৎ ভট্টাচাৰ্য্যই। অহা ৭ ডিচেম্বৰলৈকে চলিবলগীয়া এই পাঁচদিনীয়া প্ৰতিযোগিতাখনিত ল'ৰা-ছোৱালী উভয়ৰে বাবে ১২, ১৪ আৰু ১৮ বছৰ অনুৰ্ধ্ব শাখাত প্ৰায় ১০০ জন যুৱ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে । প্ৰতিযোগিতাখনত অসমৰ শীৰ্ষস্থানীয় কনিষ্ঠ খেলুৱৈ ঈশানদীপ বড়ো, আৰয়ান ভৰালী, ৰামানুজ তালুকদাৰ, ৰিয়ান কাশ্যপ, আদ্ৰিকা ৰাজকুমাৰী আদিয়ে অংশগ্ৰহণ কৰিছে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com,
যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি